# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

বিংশতিতম সংখ্যা
২০০১-২০০২ ইং চন



সম্পাদক ঃ
মোস্তঃ হাফিজুৰ ৰহমান

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

বিংশতিতম সংখ্যা ঃ
২০০২ - ০৩ ইং

# NABAJYOTI COLLEGE MAGAZINE

## 20 th Issue

2002 - 03


তত্বাবধায়ক ঃ
মির্জা আব্দুল হামিদ
আব্দুল কুদ্দুছ আহমেদ
সম্পাদক ঃ
দোস্তঃ হাফিজুৰ ৰহমান





**Incharge :**
**Mirja Abdul Hamid**
**Abdul Quddos Ahmed**
**Editor :**
**Dost- Hafizur Rahman**

## সম্পাদনা সমিতি

সভাপতি : আব্দুছ ছাত্তাৰ আহমেদ, অধ্যক্ষ
সম্পাদক : দোস্তঃ হাফিজুৰ ৰহমান
তত্বাবধায়ক : মিৰ্জা আব্দুল হামিদ
আব্দুল কুদ্দুছ আহমেদ
সদস্য : খন্দঃআব্দুল গফুৰ
ছৈয়দ কাইয়ুম কবীৰ
ফাৰুক খান [সাঃ সম্পাদক]

উপদেষ্টা
১। ড° এম, এছ শ্বেইখ
২। শামছুল আলম
৩। আব্দুল কুদ্দুছ আহমেদ
৪। দোস্তঃ হাফিজুৰ ৰহমান

### ছাত্র একতা সভাৰ তত্বাবধায়ক সকলঃ

আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি, ছাত্র একতা সভা)
এম, নজমূল হক (তত্বাবধায়ক, ছাত্র-একতা সভা)
মিৰ্জা আব্দুল হামিদ (তত্ববধায়ক, আলোচনী বিভাগ)
আব্দুল কুদ্দুছ আহমেদ ( ,, ,, )
দেৱান আবুল কাছেম (তত্বাবধায়ক, গুৰু খেল বিভাগ)
সাহাবুদ্দিন খান ( ,, ,, )
আশিফুল হক (তত্বাবধায়ক, লঘু খেল বিভাগ)
মাছুদ হাচান ( ,, ,, )
সুশীল কুমাৰ সৰকাৰ (তত্বাবধায়ক, সংগীত আৰু সাংস্কৃতিক বিভাগ)
আবুল কালাম আজাদ ( ,, ,, ,, )
শামছুল আলম ( ,, ,, ,, )
শ্ৰীচীনময় ভট্টাচাৰ্য্য (তত্বাবধায়ক, তৰ্ক আৰু সুকুমাৰ কলা বিভাগ)
দেৱান আজিজুৰ ৰহমান (তত্বাবধায়ক, সমাজ সেৱা বিভাগ)
আব্দুল খালেক (তত্বাবধায়ক, শৰীৰ চৰ্চা বিভাগ)
এম, মতিয়াৰ ৰহমান (তত্বাবধায়ক, ছাত্র জিৱণি কোঠা)
মিচ্ ৰৌশ্বনাৰা আখতাৰ (তত্বাবধায়ক ছাত্রী জিৱণী কোঠা)
আবুবক্কাৰ ছিদ্দিক (তত্বাবধায়ক ধৰ্ম আৰু সংস্কৃতি বিভাগ)
ছামছুল হক ( ,, ,, ,, ,, )

### ছাত্র একতা সভাৰ সম্পাদক-সম্পাদিকা সকল :

উপ-সভাপতি : মফিদুল ইছলাম
সাধাৰণ সম্পাদক : মহঃ ফাৰুক খান
সহঃ সাঃ সম্পাদক : আজাদ হুছেইন
আলোচনী সম্পাদক : দোস্তঃ হাফিজুৰ ৰহমান
গুৰু খেল সম্পাদক : ছাইফুল ইছলাম
লঘু খেল সম্পাদক : জাকাৰীয়া আহমেদ
সংগীত আৰু সাংস্কৃতিক সম্পাদক : ছলমান খান
শৰীৰ চৰ্চা সম্পাদক : আলী আকবৰ আহমেদ
সমাজ সেৱা বিভাগ : ফিৰোজ খান
তৰ্ক আৰু সুকুমাৰ কলা সম্পাদক : ছফিউৰ ৰহমান
ছাত্র জিৱণী কোঠা সম্পাদক : আচিফ ইকবাল
ছাত্রী জিৱণী কোঠা সম্পাদিকা : ৰাশিদা খাতুন
শ্ৰেণী প্ৰতিনিধি : দেৱান আবু ৰায়হান



## উছৰ্গা

দেশ মাতৃৰ যিসকল প্ৰৱাদ প্ৰতীম সন্তানে এটা সূৰ্য্যমূখী মন আৰু সুদৃঢ় পণ লৈ এন্ধাৰৰ বিৰুদ্ধে যুঁজ দি পিছপৰা এই বৃহত্তৰ অঞ্চলক জ্যোতিস্মিত কৰিবলৈ এই নৱজ্যোতি মহাবিদ্যালয় খন প্ৰতিষ্ঠা কৰি গ'ল সেই মহান ব্যক্তি সকলৰ শ্ৰদ্ধাঞ্জলিতেই এই আলোচনীখন অৰ্পিত ............



চাকৰী জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত এই মহাবিদ্যালয়ৰ উন্নতিৰ বাবে অতিবাহিত কৰি থকা আদৰ্শ পুৰুষ তথা গভীৰ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ প্ৰতীক মাননীয় আব্দুছ ছাত্তাৰ আহমেদ যাৰ একনিষ্ঠ কৰ্ম প্ৰেৰণাৰ বাবে অতি পিছপৰা গ্ৰাম্য অঞ্চলৰ এই নৱজ্যোতি মহাবিদ্যালয় থন অসমৰ সুনামধন্য মহাবিদ্যালয়ৰ ভিতৰত অন্যতম।

*From-*

**A. S. Ahmed** *M. A.*
**PRINCIPAL,**
*Nabajyoti College, Kalgachia.*
P.O.- Kalgachia,
Dist.- Barpeta (Assam)
PIN- 781319

(O) 84422
(R) 84418
STD- 03666



*Date.17-09-2002*

# MESSAGE

***Dear Dost,***

***I am very pleased to learn that Nabajyoti college Magazine for the year 2001-2002 is on process of publication after a gap of three years. Mr.Dost Hafizur Rahman, editor, Nabajyoti College Magazine deserves praise and thanks for him persistant effect. He has a zeal to do something. I like those who work more and talk less.***

***College Magazine exposes creativity of knowledge and idea of those who contribute articles to it . It is an opportune exercises of students who want to make a writing habit which and which only makes a man perfect, Bacon, a great English writer once wrote,'reading makes a man wise by writing a perfect man'. I have the idea that students may become wise by reading but until they translate the wisdom and knowledge in to practice by writing them, they can not be judged as perfect. Hence I would like to draw the attention of our students to inculcate the habit of writing if they want to contribute something to the society. Good sermons given verbally will not last long but the sermon given black and white will last forever.***

***I wish the endeavour to publish the College Magazine a grand success. Thanking you.***

Sincerely yours
**A. S. Ahmed**
**Principal,**
*Nabajyoti College, Kalgachia.*

MEMBER
ASSAM LEGISLATIVE ASSEMBLY

DATE.....27/09/02



## শুভেচ্ছা বাণী ঃ

অশেষ চেষ্টা আৰু যত্নৰ ফলত এই বেলি নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ উদ্যোগত এখনি বছৰেকীয়া আলোচনী প্ৰকাশ কৰিবলৈ আয়োজন কৰা বাবে মই আন্তৰিকভাবে গৌৰৱান্বিত, আৰু আনন্দ প্ৰকাশ কৰিছোঁ। কাৰণ এই উদ্যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ অৰ্জ্জিত বিভিন্ন দিশৰে জ্ঞান বিজ্ঞানৰ বিকাশৰ বহিঃপ্ৰকাশৰ চানেকী আৰু মানদণ্ড হিচাপে সমাজত সমাদৃত হ'ব। বৃহত্তম পশ্চিম বৰপেটা আৰু পূৱ অভয়াপুৰীৰ মাজত অৱস্থিত কৃষি প্ৰধান অঞ্চলৰ প্ৰাণভূমি হিচাবে জনাজাত কলগাছিয়া আৰু গুনিয়ালগুৰি গাওঁৰ মাজত অৱস্থিত নৰজ্যোতি মহাবিদ্যালয় খনে নামনি অসম আৰু ইয়াৰ অঞ্চল বোৰৰ ল'ৰা ছোৱালীৰ বাবে উচ্চ শিক্ষাৰ পীঠ্যস্থান হিচাবে সন্মান অৰ্জন কৰিব পাৰিছে। কাৰণ এইখন প্ৰতিষ্ঠানৰ জৰিয়তে এই বৃহত্তৰ অঞ্চলৰ পিছ পৰা আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষাৰ প্ৰসাৰ ও শিক্ষাৰ হাৰ ইতিমধ্যে যথেষ্ট বৃদ্ধি হোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছে।

সদৌ শেষত মই স্থানীয় বিধায়ক তথা এইখন নৰজ্যোতি মহাবিদ্যালয়ৰ পৰিচালনা কমিটিৰ সভাপতি হিচাবে কলেজ খনৰ ভৱিষ্যত উন্নতি কামনা কৰিছোঁ আৰু লগতে এই কলেজৰ ছাত্ৰ-একতা সভা ও আলোচনী শাখাৰ সম্পাদক, কৰ্মকৰ্ত্তা সকলক এই প্ৰকাশনী খনৰ মহান উদ্যোগৰ বাবে আকৌ এবাৰ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইতি-

শেখ এছাহাক আলী
বিধায়ক
জনীয়া সমষ্টি



# সম্পাদকীয়:

সময় প্ৰবাহমান। ইয়াৰ গতি অপ্ৰতিৰোধ্য। এই গতিশীলতাই আনি দিয়ে কৰ্মময় জীৱনৰ ব্যস্ততা। এই ব্যস্ততাৰ মাজতো অৱসৰ বিনোদনৰ আনন্দ মানৱ জীৱনে বিচাৰে। জীৱন নাটৰ এটি ভাওঁনাৰ একাংশ হ'ল মহাবিদ্যালয়ৰ কালছোৱা। এই ভাওঁনাময় কালছোৱাৰেই বাস্তৱ প্ৰতিবেদনখন আগবঢ়ালো। সম্পাদকীয় লিখিবলৈ হাতত কলম তুলি লৈ বিব্ৰত হৈ পৰিছোঁ, এই বাবেই যে আমি সময়ৰ এনে এটা সন্ধীক্ষণত উপস্থিত হৈছোহি য'ত সকলো দিশতেই বিভিন্ন সমস্যাই জলন্ত ৰূপ ধাৰণ কৰিছে। অজন স্তৰৰ ভাঙনৰ পৰা ঘৰখনৰ নাদৰ পানীলৈ দেখা দিয়া সমস্যা সমূহৰ ওপৰত অবলোকণ কৰি এইবোৰৰ সমাধানৰ উপায় বিচৰাৰ সময় আহি পৰিছে। পৃথিৱীৰ পৰা মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপন, ইখন দেশৰ পৰা সিখন দেশলৈ ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰিব পৰা হলেই এখন দেশৰ উন্নতি হোৱা বুলি কব নোৱাৰি, আশাও কৰিব নোৱাৰি।

দেশ এখনৰ সৰ্বসাধাৰণ জনগণে খাবলৈ এমুঠি ভাত আৰু সকলোত ইফালে সিফালে যাবলৈ গাড়ী ভাড়াটো থাকিলেহে দেশ এখনৰ ন্যুনতম স্বচ্ছলতাৰ কথা কব পাৰি। আমি সন্মুখীন হোৱা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন সমস্যা সমাধানৰ পথ বিচৰাৰ লগতে আমাৰ এই বিদ্যাৰ ভঁড়াল নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ বিকাশ আৰু উন্নতিৰ বাবেও আমি একেলগে আগুৱাই যাব লাগিব,যাতে বৰ্তমানতকৈ অধিকতৰভাৱে জনগণৰ প্ৰতি সামাজিক দায়বদ্ধতা পালন কৰিব পাৰে। পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰী সাঙুৰি এই বৃহত্বৰ পিছপৰা অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান হলেও কোৱা বাহুল্য যে এই মহাবিদ্যালয়ৰ ৩২ বছৰীয়া ইতিহাসত আজিলৈকে “Logic and Philosophy” এই বিষয়ত “Major” খুলিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়ে ইয়াৰ সুব্যৱস্থাৰ বাবে চেষ্টাৰ ত্ৰুটি অৱশ্যেই কৰা নাই। তথাপিও “Logic and Philosophy” বিষয় টো “Major” দিবলৈ মহাবিদ্যালয় কতৃপক্ষৰ ওচৰত এই প্ৰতিবেদনেৰে বিনম্ৰ অনুৰোধ ৰাখিলোঁ।

আমাৰ বাবে এটা গৌৰৱৰ বিষয় যে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ দৰে বিদ্যালয় ভাৰতবৰ্ষৰ আন কোনো প্ৰান্ততে পাবলৈ নাই। যিখন মহাবিদ্যালয় শতকৰা ৯৯ ভাগ সংখ্যালঘু মুছলমান ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ কেন্দ্ৰস্থল। সেয়ে এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰি নিজৰ জাতীয় সংস্কৃতি আদি চৰ্চা কৰিব লাগিব। নহলে আমাৰ জাতিৰ অস্তিত্ব নোহোৱা হৈ যাব। যি জাতিৰ অস্তিত্ব নাই সেই জাতি বিশ্ব দৰবাৰৰ পৰাও হঠাতে বিলীন হৈ যাব পাৰে। মই কব খোজো জাতিৰ ভৱিষ্যত এই খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হাতত অৰ্পিত হৈ আছে, সেয়ে আপোনালোকে সেই বিষয়ে আৰু অধিক সজাগ হব লাগে। এই বিষয়ে মই দুটা দাবী আগবঢ়ালো

(ক) মহাবিদ্যালয় আলোচনীৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ পুঁজিৰে নিজৰ জাতীয় জীৱনৰ ওপৰত আধাৰিত এটা আচুতীয়া বছৰেকীয়া আলোচনী প্ৰকাশৰ ব্যৱস্থা কৰা হওক।

(খ) নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনী খনৰ লগতে এই আলোচনীখনো অসম ৰাজ্যিক পুথি ভঁড়াল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁড়াল আদিত সংৰক্ষণৰ ব্যৱস্থা গ্ৰহন কৰা হওঁক।

এই আলোচনী খন কেৱল আলোচনীয়েই নহয় ই এই মহাবিদ্যালয়ৰ এখন লিখিত ইতিহাস বা এটা দাপোন যি দাপোনেৰে যিকোনো সময়ত ৰোমন্থন কৰিব পাৰি নৱজ্যোতিৰ এটি জ্বলন্ত প্ৰতিচ্ছবি। সেইবাবে প্ৰসিদ্ধ শিল্পীৰ তুলিকাৰে বেটুপাত অংকোৱাই বা অংগ সজ্জা কৰোৱাই প্ৰতিষ্ঠিত লেখকৰ লেখনী ছপাই এখন সৰ্বাঙ্গসুন্দৰ আলোচোনী উলিওৱাৰ পৰিৱৰ্তে সম্পূৰ্ণ ৰূপে মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিভা আৰু কেঁচা সামগ্ৰী ব্যৱহাৰ কৰি আলোচনীখন প্ৰকাশ কৰা হ'ল। অপ্ৰিয় হলেও সত্য যে আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চা কৰা ,ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ, ছাত্ৰৰ তুলনাত ছাত্ৰীৰ সংখ্যা দুঃখ লগাকৈ তাকৰ। এই গতানুগতিকতা সম্পূৰ্ণৰূপে পৰিৱৰ্তন কৰিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত অনুৰোধ ৰাখিলো, যাতে অধ্যয়নৰ লগতে সাহিত্য চৰ্চা কৰিও নিজৰ প্ৰতিভাৰ বিকাশ ঘটাব পাৰো।

মদো শেষত এই মহাবিদ্যালয়ৰ ৩২ বছৰীয়া ইতিহাসত কোনো সম্পাদকে কাৰ্য্যৰত অৱস্থাতে আলোচনী প্ৰকাশ কৰা এয়ে কিজানি প্ৰথম। লগতে সৰ্বকালৰ কম বাজেটেৰে আপোনালোকৰ সহযোগত সুন্দৰ ভাবে ২০০২ বৰ্ষৰ "College week" চলাই নিছো লগতে মোৰ এবছৰীয়া কাৰ্য্যকালত আপোনালোকৰ দৃষ্টিত কিমান দূৰ সফল হৈছো তাক নিৰূপনৰ কৰ্তৃত্ব আপোনালোকৰ হাতত অৰ্পন কৰিলো, যদি কিবা পালে তাক সম্বল আৰু নোপোৱা খিনি প্ৰেৰণা হিচাবে লৈ উত্তৰ পুৰুষক কৰ্মক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনালোঁ।

এই আলোচনীখন প্ৰকাশৰ বাবে বিভিন্ন সময়ত মোক নানা পৰামৰ্শৰে উৎসাহিত কৰা সকলোৰ ভিতৰত আছে এই মহাবিদ্যালয়ৰ উন্নতিৰ খনিকৰ তথা অধ্যক্ষ মাননীয় আব্দুছ ছাত্তাৰ আহমেদ মহোদয়, উপাধ্যক্ষ মাননীয় এম, মোজাম্মেল হুছাইন মহোদয়, মোৰ কাৰ্য্যকালৰ সময়ত যি কোনো কামৰ বাবে মোৰ লগত অতি কষ্টেৰে সহায় সহযোগ আগবঢ়োৱা আলোচনী বিভাগৰ তত্বাৱধায়ক ক্ৰমে মাননীয় মিৰ্জা আব্দুল হামিদ আৰু মাননীয় আব্দুল কুদ্দুছ আহমেদ, আলোচনী বিভাগৰ সম্পাদনা সমিতিৰ মাননীয় বিষয় বৰীয়া সকল, বেটুপাত অংকণৰ বিশেষজ্ঞদ্বয় ক্ৰমে মাননীয় ড°এম, এছ স্মিথ আৰু শামছুল আলম, আলোচনী খনলৈ শুভেচ্ছা বাণী প্ৰেৰণ কৰা অধ্যক্ষ মহোদয় আৰু বিধায়ক মহোদয়, এই আলোচনী লৈ অতি মুল্যবান সময় নষ্ট কৰি লিখনী প্ৰেৰণ কৰা মাননীয় অধ্যাপক, অধ্যাপিকা সকল আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল, এই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকল, লগতে এইখন আলোচনী প্ৰকাশৰ বাবে নানা পৰামৰ্শৰে উৎসাহিত কৰা আল-আমিন অফছেটৰ মেনেজাৰ ইমান খানৰ লগতে তেখেতৰ সহকৰ্মী সকলক মই বিশেষ ভাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। আৰু মোৰ মৰমৰ বন্ধু তথা সাধৰণ সম্পাদক ফাৰুক খান, ফৰিদুল ইছলাম,খন্দঃ আঃ হালিম, ছাত্ৰ একতা সভাৰ সমূহ সদস্য সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাছিছো। এখেত সকলৰ ওচৰত মই চিৰ দিনেই ঋণী। মোৰ এবছৰীয়া কাৰ্যকালত জ্ঞাত-অজ্ঞাত সকলো প্ৰকাৰ ভুল ত্ৰুটিৰ বাবে সমূহ অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে সামৰিছোঁ........

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ-একতা সভা"

ধন্যবাদেৰে-
দোস্তঃ হাফিজুৰ ৰহমান
সম্পাদক
আলোচনী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া



# সূচী-পত্ৰ

## ঃ অসমীয়া ভাগ ঃ


| | | | |
|---|---|---|---|
| ✯ আব্দুল মালিকৰ ৰাজদ্ৰোহী নাটকৰ ৰচনা শৈলী | ঃ | ✍ অধ্যাপক, ড° ভগীৰথ নাথ | ১ |
| ✯ আধুনিক যুগত আদিম সভ্যতা | ঃ | ✍ মুকুল হুছাইন | ৩ |
| ✯ সাম্প্ৰদায়িকতা তেতিয়া আৰু এতিয়াও কিয় আৰু কেনেকৈ ? | ঃ | ✍ অধ্যাপক, খন্দঃ আঃ গফুৰ | ৫ |
| ✯ ভয়াল নিশা (এটি ভৌতিক গল্প) | ঃ | ✍ শামছুন নেহাৰ | ৮ |
| ✯ এজাক বৰষুণ আহিছিল | ঃ | ✍ অধ্যাপিকা, ছৈয়দা মেহেৰুন্নীছা বেগম | ১০ |
| ✯ ক্লান্তিহীন মানৱ | ঃ | ✍ কংকনা গগৈ | ১১ |
| ✯ আশা | ঃ | ✍ ছামছুজ জামান খান | ১১ |
| ✯ কাবেৰী বনত কৃষ্ণচূড়াৰ হাঁহি | ঃ | ✍ আছিফা হাচান | ১২ |
| ✯ সপোন | ঃ | ✍ মহঃ আৰিফুল ইছলাম | ১২ |
| ✯ প্ৰতিঘাত | ঃ | ✍ ওৱাজেদুল হাচান | ১৩ |
| ✯ আমাৰ গাওঁ শান্তিৰ গাওঁ | ঃ | ✍ দোস্ত ঃ হাফিজুৰ ৰহমান | ১৬ |
| ✯ হৃদয় | ঃ | ✍ আমিৰ হুছাইন | ১৬ |
| ✯ সহযাত্ৰী | ঃ | ✍ মিচ্ আনোৱাৰা পাৰবিন | ১৭ |
| ✯ সময়ৰ জ্ঞান | ঃ | ✍ মুক্তাদিৰ ৰহমান | ১৯ |
| ✯ আমাক বিজয় দিয়া | ঃ | ✍ সম্পাদক | ১৯ |
| ✯ কাপোৰৰ ভেঁজ | ঃ | ✍ ইকবাল ফৰিদ | ২০ |
| ✯ এজাক শব্দৰ অকবিতা | ঃ | ✍ মুকুল হুছাইন | ২১ |
| ✯ সাগৰ তুমি মোৰ ভালপোৱা | ঃ | ✍ মাছুমা জান্নাতুল হাছিনা | ২১ |
| ✯ দ্ৰোহকালৰ ছবি | ঃ | ✍ অধ্যাপক, ছৈয়দ কাইয়ুম কবীৰ | ২২ |
| ✯ আপুনি আমাৰ কলেজলৈ আহিব নেকি ? | ঃ | ✍ ইদ্ৰিছ আলী | ২৮ |

# CONTENTS

## English Section


※ Education - A Unique Investment : ✍A. S. Ahmed. 1

※ Ten things to do it : ✍Fozrul Hoque 3

※ Friendship : ✍Massuma Zannatul Hassina 3

※ Jacques Derrida and Deconstuction : ✍Prof - B. K. Samal 4

※ Educational Backwardness of Muslim Women- Causes and Remedies : ✍Abul Bashir 6

※ Fear : ✍Khan Monowar Hussain 9

※ Hope- The divine gift : ✍Nazrul Islam 11

※ General Knowledge : 12

※ সম্পাদক - সম্পাদিকা সকলৰ প্ৰতিবেদনৰ শিতান






# আব্দুল মালিকৰ "ৰাজদ্ৰোহী" নাটকৰ ৰচনা শৈলী


✍ ড° ভগীৰথ নাথ

মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ


আব্দুল মালিক আমাৰ সকলোৰে পৰিচিত নাম। অসমীয়া সাহিত্যত তেওঁৰ গল্প উপন্যাসে যিদৰে সকলো কাব্যমোদীকে আস্বাদিত কৰিছে তেনেদৰে তেওঁৰ একমাত্ৰ ঐতিহাসিক নাটক 'ৰাজদ্ৰোহী'য়েও নাট্যমোদীক অভিভূত কৰিছে। কথা শিল্পী আব্দুল মালিকে 'ৰাজদ্ৰোহী' নাটকখনৰ কাহিনীভাগ বুৰঞ্জীৰ পৰা গ্ৰহণ কৰিলেও কাহিনী ভাগত আধুনিকতাৰ - চাপ স্পষ্টভাৱে পৰা দেখা যায়। বুৰঞ্জীৰ তথ্যক নিজৰ চিন্তাধাৰাৰে প্ৰকাশৰ মাধ্যম হিচাবে লৈ নাটকখনৰ কাহিনী প্ৰস্তুত কৰিছে। স্বাধীনতাৰ ঠিক পিচতেই একে লেঠাৰিয়ে কেবাখনো মঞ্চ সফল ঐতিহাসিক নাটকে আলোড়নৰ সৃষ্টি কৰিছিল কিন্তু পৰৱৰ্ত্তী স্তৰত কিছু বছৰ ঐতিহাসিক নাটক ৰচনাৰ বৰ ঘৰটো শুণ্যতাই দেখা দিছিল। বৰ্ত্তমান নাট্যসাহিত্যৰ নৱমূল্যায়নেৰে এই শুণ্যতা পূৰ্ণ কৰিবলৈ কেইজনমান বিশেষ নাট্যকাৰে যৎপোৰোনাস্তি চেষ্টা কৰাটো পৰিলক্ষিত হৈছে। এই চেষ্টাৰ ফলশ্ৰুতিত আব্দুল মালিকৰ 'ৰাজদ্ৰোহী' নাটকৰো জন্ম হয়।

সাহিত্য কলাৰ বৈশিষ্ট্য বহু পৰিমাণে ৰচনা শৈলীৰ ওপৰত নিৰ্ভৰশীল। কলাৰ সৌন্দৰ্য্য আৰু গাম্ভীৰ্য্য প্ৰকাশ হয় ৰচনা শৈলীৰ গুণত। কলাকাৰৰ গভীৰতা, বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশভঙ্গী আৰু মৌলিকতা নিৰ্ভৰ কৰে ৰচনা শৈলীৰ নৈপুণ্যত। সাহিত্যৰ ভাৱ ভাষা আৰু প্ৰভাৱশালীতাই ৰচনাশৈলীৰ মানদণ্ড নিৰ্ণয় কৰে। গাম্ভীৰ্য্যশীল ভাৱ, অনুপম ভাষা আৰু চিন্তাকৰ্ষক শৈলীয়ে সাধাৰণতে সাহিত্যক মহীয়ান কৰে। উদাহৰণ হিচাবে বাল্মীকিৰ ৰামায়ণৰ কথাকে উনুকিয়াব পাৰি। ৰামায়ণ ৰচনা কাৰ্য্যত মহাকবিৰ বিশাল মানৱীয় দৃষ্টি, জ্ঞান-গভীৰতা, কলা-কুশলতা, সুক্ষ্মসানুভূতি আৰু বিশাল ব্যক্তিত্বই স কলো কাব্যমোদী সহৃদয় পাঠকক গভীৰ ভাৱ অনুভূতিৰে অভিভূত কৰে।

এখন নাটকৰ কৃতকাৰ্য্যতা ভাষাৰ উপযুক্ততা আৰু মাধুৰ্য্যতাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। ৰজা-মন্ত্ৰী, সৈন্য-সেনানী, লগুৱা-বহুৱা, পণ্ডিত, মূৰ্খ আদি বিভিন্ন পৰ্য্যায়ৰ চৰিত্ৰৰ একেখন নাটকতে সমাৱেশ হব পাৰে। পৰ্য্যায় ভেদে এই চৰিত্ৰবোৰৰ সংলাপৰ ভাষা ভিন্ ভিন্ হয়। আনহাতেদি এই কথাও উল্লেখযোগ্য যে, পৰিস্থিতি ভেদে একেজন ব্যক্তিৰেই আবেগ অনুভূতি বেলেগ হয় আৰু ভাৱ প্ৰকাশৰ মাধ্যমো বেলেগ ৰূপ লয়। তথাপি এই কথা মন কৰিব পাৰি যে, নাটকৰ ভাষা পূৰ্ণমাত্ৰাই স্বাভাৱিক নহয় কৃত্ৰিমতাৰ বা-বতাহৰ মাজত থাকিলেহে ই স্বাভাৱিক ৰূপে সজীৱ। সমালোচক নিকলেও - "The theory of Drama" ত এনে প্ৰাসঙ্গিকতাকে দাঙি ধৰিছে।

এনে দৃষ্টি আগত ৰাখি মালিকেও ৰচনা শৈলীৰ ভিন্ন ভিন্ন বৈশিষ্ট্যৰ বৈচিত্ৰতা পূৰ্ণ অভিব্যক্তি 'ৰাজদ্ৰোহী' নাটকত প্ৰকাশ কৰা দেখা যায়। মালিকৰ ভাষাৰ গতি ধীৰ আৰু স্পষ্ট। নাটকৰ প্ৰতিটো চৰিত্ৰৰ মুখত দিয়া ভাষা সহজ সৰল আৰু পোণপটীয়া।

সতৰাম — আমি বৈ আছো জুই লগা এখন শুকান বিৰিঙণিৰ মাজত,<br>
চাৰিও ফালৰ পৰা জুই জিভা মেলি ল্কলকাই আহিছে।<br>
এই জুইত জাপ দি পৰাৰ বাহিৰে অন্যপথ আমাৰ নাই।

পাবিবা ? (২য় দৃশ্য)

'ৰাজদ্ৰোহী' নাটকৰ প্ৰতিটো উক্তিতে আছে বজ্ৰ নিনাদ আস্ফালন । সতৰাম আধুনিক যুগৰ বিদ্ৰোহী । তেওঁ এটি উক্তি দাঙি ধৰিলেই স্পষ্ট ইঙ্গিত পোৱা যায় -

**সতৰাম (হাঁহি)—** আমাৰ মাজত চোৰাংচোৰা অসমীয়া ডেকা গাভৰু
এতিয়াও ইমান নীচ হোৱা নাই, স্বাৰ্থপৰ হোৱা নাই,
যে আমাৰ ভিতৰুৱা বাতৰি নিজ ৰজাঘৰত জনাই
বঁটা বানচ লব। আৰু যদি ইয়াত কোনোৱে তেনে
বিশ্বাসঘাতক আছে তাৰ ওপৰত আমাৰ প্ৰতিশোধ লোৱাৰ দৰ্কাৰ নাই ।
সময়ে তাৰ প্ৰতিশোধ লব। (ষষ্ঠ দৃশ্য)

এনে উক্তিয়ে সতৰামক সেই সময়ৰ ৰাজনৈতিক দৃষ্টিভঙ্গীৰ পৰা আতৰাই আনি আধুনিক দৃষ্টি ভঙ্গীৰে ৰূপায়ণ কৰাত সতৰামৰ চৰিত্ৰত কিছু কৃত্ৰিমতাই দেখা দিছে।

ৰচনা শৈলীৰ বৈশিষ্ট্য বহু পৰিমাণে নিৰ্ভৰ কৰে ভাষাৰ জতুৱা ঠাঁচৰ ওপৰত। জতুৱা ঠাঁচ আন লেখকৰ ৰচনাৰ সৈতে থকা পৃথকত্বক দেখুৱাবলৈ সমৰ্থ হয় আৰু সাহিত্যৰ বৈশিষ্ট্য ৰক্ষা কৰাত সহায় কৰে। ৰাজদ্ৰোহী নাটকৰ প্ৰতিটো দৃশ্যতে ফকৰা যোজনা, জতুৱা ঠাঁচ, প্ৰবচন আদিৰ সুন্দৰ সমাৱেশ ঘটাই দৰ্শকৰ আনন্দ বিনোদন উজ্জীৱিত কৰি ৰাখিছে। মেমেধু- গাঁথিৰ খাই যাও গুৰা -

মনৰ জোখাৰে নাপাওঁ মানে
দেহাকো নকৰো চুৱা। (৩ য় দৃশ্য)

আনকি বিহু সুৰীয়া গীতেও তেওঁৰ নাটকীয় সৌন্দৰ্যত বিশেষ অৰিহনা যোগাইছে -

গচকত গেলিলে মখনা-মাখুন্দী
নিগনিয়ে ভেটিলে বাট,
ঢোলৰ মাৰি বাজে তিখিতি- খিততাও
ঢোলৰ মুখত নাই মাত। (ষষ্ঠ দৃশ্য)

শ্ৰুতি মধুৰ, দোষ-ত্ৰুটি শূণ্য ৰচনা শৈলীৰ বাবে লেখকৰ সাধনাৰ প্ৰয়োজন । সাধনাই সাহিত্যিকৰ অন্তৰ দাপোনত প্ৰতিফলিত হৈ পিছত সাহিত্যত এক নতুন ৰূপ লয়। সাহিত্যিক সকলে মন দাপোনত উদয় হোৱা ভাৱ, ভাষা আৰু ব্যক্তিত্বৰ সুসমন্বয়ৰ দ্বাৰা সাহিত্য ৰচনা কৰি পাঠক পাঠিকাক অনিৰ্ব্বচনীয় আনন্দ দিব পাৰে। আব্দুল মালিকৰ ৰাজদ্ৰোহীও ইয়াৰ ব্যতিক্ৰম নহয়।





# আধুনিক যুগত আদিম সভ্যতা

✍ মুকুল হুছাইন
স্নাতক ৩য় বৰ্ষ (বিঃ শাখা)

মানৱ সভ্যতা সময় বা যুগৰ লগত পৰিবৰ্তনশীল। সভ্যতাৰ কলা-কৃষ্টিবোৰো যুগ যুগান্তৰে উন্নত হৈ আহিছে। সভ্যতাৰ শীৰ্ষত থকা মানৱ আচৰণৰ ওপৰত নিৰ্ভৰ কৰি আদিম যুগ, মধ্যযুগ আৰু আধুনিক যুগেৰে নামাকৰণ কৰিছিল। বিবৰ্তনৰ অন্তিম পৰ্য্যায়ত থকা মানৱবোৰৰ আজিৰ সভ্যতাক আধুনিক সভ্যতা বুলি স্বীকৃতি দিয়া হয়। সভ্যতাৰ শীৰ্ষ স্থান পোৱা বাবেই ইয়াক ৰোমান্টিক প্ৰিয়ড বুলি আখ্যা দিয়া হয়। আধুনিক সভ্যতাত মডেলিং ফেশ্বন, ডিজাইন ইত্যাদি কলা কৃষ্টিৰ নিদৰ্শন। এই মডেলত আজি বিৰাজ কৰিছে নগ্নতাই। মানৱ জাতিটো এসময়ত অঘৰী জীৱন যাপন কৰিছিল। তেওঁলোকে বস্ত্ৰ পৰিধান কৰা নাছিল। সেয়া আছিল আদিম যুগৰ নিদৰ্শন। চিকাৰ তথা গছৰ ফল মূলবোৰৰ দ্বাৰা জীৱন নিৰ্বাহ কৰিছিল। মানুহ সভ্যতাৰ পোহৰ লৈ অহাৰ পৰা খাদ্য বস্ত্ৰ আৰু বাসস্থানক মৌলিক উপাদান হিচাবে বিবেচনা কৰিছিল। সেয়ে তেওঁলোক ক্ৰমান্বয়ে গছৰ বাকলি পৰিধান কৰি লজ্জা নিবাৰণ কৰা আৰম্ভ কৰিছিল। কিন্তু সেই সভ্যতাৰ শীৰ্ষস্থানত আজি এক নতুন নগ্ন সভ্যতাৰ আবিৰ্ভাৱ হৈছে। মডেলৰ যোগেদি হোৱা নগ্নতা বা অৰ্দ্ধনগ্নতাই আদিম যুগক জানো ৰোমন্থন কৰা নাই ? যিটো মডেল আজি যৌন আহবায়কৰ প্ৰতিমূৰ্ত্তি দেখুৱায়। টি. ভি. চেনেলত দিয়া মডেলবোৰৰ স-পৰিয়ালে উপভোগ কৰিলে নাক কোচ খাই যায় অথচ যি সকলৰ জিয়ৰী বোৱাৰীয়ে মডেলিং কৰি আছে তেওঁলোকে টি. ভি. ৰ সন্মুখত বহি বাঃ বাঃ উল্লাহেৰে হাত চাপৰি বজাই আছে। আৰবৰ কোনোবা মহৎ ব্যক্তি এজনে ভৱিষ্যত বাণী কৰিছিল যে এসময়ত এনেকুৱা এটা সভ্যতা দেখা যাব যিটোৱে মানুহক বিশেষকৈ নাৰী সকলে নগ্ন সভ্যতাৰ পিনে আগ্ৰহ প্ৰকাশ কৰিব। তাৰ নিদৰ্শন জানো আজি দেখা যোৱা নাই। চহৰ অঞ্চলত সততে দেখা যায় যে অত্যাধুনিক মহিলা সকলে বজাৰ কৰিবলৈ, ফুৰিবলৈ বা কৰবালৈ যাবলৈ ওলাইছে সেয়া অক্টোবৰ-নবেম্বৰ মাহেই হওঁক বা জানুৱাৰী - ফেব্ৰুৱাৰী মাহতেই হওঁক পিন্ধনত নূন্যতম কাপোৰ। এয়া আৰ্থিক দুৰ্বলতাও নহয় গৰমৰ পৰা পৰিত্ৰাণ পাবলৈয়ো নহয়, বৰং ফেছন, অৰ্থাৎ আদিমতাৰ পিনে ধাউতি। উন্মুক্ত বাহু, কাষলতিৰ পৰা ওপৰফালে কান্ধৰ আধালৈকে মুক্ত অৰ্থাৎ হাফ ব্লাউজ পিতিত সামান্য অংশৰ বাদে বাকী খিনি মুকলি পৰিবেশ। ব্লাউজ বনোৱা কাপোৰটো ইমানেই উন্নত প্ৰযুক্তিৰে নিৰ্মিত যেন কটা তাঁৰৰ বেৰৰ দৰে দৃশ্যমান কিন্তু অভেদ। তলত পিন্ধা শৰ্ট - কাট ব্ৰা সুস্পষ্ট ভাবেই আইনাৰ আৱৰনিৰ দৰে ঢাক খাই থকে।

মিনি স্কাৰ্ট পিন্ধা সকলোৰ কথাটো আৰু সুকীয়া, আঠুৰ ওপৰত কলাফুলৰ আধালৈকে উন্মুক্ত আৰু ইমান ঠেককৈ চিলোৱা হয় যে, স্বাভাৱিক ভাৱে খোজকঢ়াটোও অসুবিধা। যেন আদিম মানুহৰ গছৰ বাকলি বা জন্তুৰ ছাল পৰিধান।

বোলছবিবোৰোতো বিষয় বস্তু বা কাহিনীৰ লগত কোনো সম্পৰ্ক নথকা কিছুমান দৃশ্যত দেখা যায় হয়তো নায়কে পিন্ধিছে ছুৰেটাৰ, কোট আদি আৰু নায়িকাই সেই একে সময়তে পিন্ধিছে মিনি স্কাৰ্ট বা পাতল ফিৰফিৰিয়া শাৰী আৰু বক্ষ বন্ধনী। কোনোবাটোত নায়কৰ দেহত উৰ্দ্ধাংশ সম্পূৰ্ণ উন্মুক্ত আৰু নায়িকাই পিন্ধিছে হাফ-পেন্ট

আৰু ব্লাউজ। এইবোৰো সম্ভৱত আদিম ফেছনৰ তাগিদাতেই ছবিবোৰত ৰখা হয়। আজি ফেছন তথা ডিজাইন হিচাবে আঙুলিৰ নখবোৰ দীঘল দীঘল সযতনে ৰখা। গোফৰ পৰা আৰম্ভ কৰি চুলি পৰ্য্যন্ত অত্যাধিক দীঘলকৈ ৰখা পৰিলক্ষিত হয়। এইবোৰ জানো আদিম সভ্যতা নহয়। যেন সজুঁলিৰ অভাৱত চিকাৰৰ প্ৰয়োজনত নখবোৰ কাটিব পৰা নাই। শিক্ষা আৰু বিজ্ঞানৰ আবিষ্কাৰৰ অভাৱত তেওঁলোকে অঘৰী জীৱন যাপন কৰিছিল। একাধিকৰ লগত শাৰীৰিক সম্পৰ্ক ৰাখিছিল। অথচ আজি সভ্য সমাজত বাস কৰিও মানুহবোৰে ৰাখিছে পশুৰ দৰে একাধিকৰ লগত শাৰীৰিক সম্পৰ্ক। যাৰ দ্বাৰা আজি বিশ্বত **AIDS** দৰে বিষাক্ত বেমাৰে ভয়াবহ ৰূপ ধাৰণ কৰিছে। ফেছন হিচাবে ৰখা নখবোৰত সহজতে কিছুমান বীজাণু থাকিব পাৰে যিটোৱে নানা ধৰণৰ ভয়াবহ ৰোগৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও কিছুমান ফেছন পৰিলক্ষিত হয় যিবোৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰা দেখা যায় অতিশয় মাৰাত্মক। এই অত্যাধুনিকতা ব্যাধি অতিশয় সংক্ৰামক। যিটোৱে আজি গোটেই বিশ্বক ধ্বংসৰ পিনে টানিছে। এইবোৰৰ বাবে আজি মানৱ সমাজেই দায়ী। আমাৰ আধুনিক যুগৰ অত্যাধুনিক সভ্যতা আজি ক'ত ? শ্ৰেষ্ঠ জীৱ বুলি দাবী কৰা মানৱ জাতি আজি কোনপথত ?





**শাশ্বত বাণীঃ**

পৰীক্ষাৰ আগমুহূৰ্তত কঠোৰ শ্ৰমেৰে মুখস্থ কৰাত আনন্দ নাই।
আনন্দ আছে বুজি পোৱাত, নিজৰ পথ বাচি লোৱাত।

-প্ৰফেচাৰ যশপাল।

এবাৰ পঢ়িবা দুবাৰ লিখিবা, তিনিবাৰ চিন্তা কৰিবা।

-বেকন

সংগ্ৰহ

**আব্দুল মালেক**

স্নাতক ৩য় বৰ্ষ (ক'লা শাখা)





# সাম্প্ৰদায়িকতা- তেতিয়া আৰু এতিয়াওঁ। কিয় আৰু কেনেকৈ ?

✍ খন্দকাৰ আঃ গফুৰ
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।

সাম্প্ৰদায়িকতাবাদৰ এক বীজ এবাৰ ৰোপন কৰিলে সি বাৰে বাৰে গজি সক্ৰিয় হৈ সমাজ বিষাক্ত কৰি তোলে । ভাৰতবৰ্ষত ইয়াৰ বিভিন্ন ৰাজ্যত সেই মহামাৰীৰ ঔষধ বিচাৰি পোৱা নাই কাৰণে সময়ে সময়ে সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত লক্ষ লক্ষ নিৰপৰাধী মানুহৰ জীৱন বিপন্ন হৈ পৰে । আজিকোপতি দেশ স্বাধীন হোৱাৰ ৫৪ (চৌৱান্ন) বছৰত ৩৫ হেজাৰ বাৰৰ অধিক হিন্দু মুছলমান ৰাইটিং সংগঠিত হৈছে আৰু অগণন সংখ্যক মানুহ মৃত্যু মুখত পৰিছে।

সাম্প্ৰদায়িকতা এক অবৈধ, অশুভ, অৰাজকতাৰ শক্তি তাক কেৱল চৰকাৰেহে নিৰ্ম্মুল কৰিব পাৰে। আজি গুজৰাটৰ মাটিত সেই অশুভ শক্তিয়ে - অগ্নিসংযোগ, হত্যা, সংঘৰ্ষৰ সৃষ্টি কৰি ভাৰতবৰ্ষৰ সাত লক্ষ গাওঁৰ মানুহক আতঙ্কিত কৰি পেলাইছে। অকল গুজৰাটেই নহয় অসমতো নেলী, গহপুৰ, খৈৰাবাৰী, বৰপেটাৰোড়ৰ উত্তৰে বড়োল্যাণ্ডত সাম্প্ৰদায়িক উত্তেজনাই অসমৰ মাটিকো কলঙ্কিত কৰাৰ উদাহৰণ এক যুগান্তকাৰী ঘটনা হিচাবে ৰৈ গল। এনেকৈ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত নিৰিহ জনসাধাৰণৰ ওপৰত সাম্প্ৰদায়িক শক্তিয়ে গা কৰি আহিছে । এই ক্ষেত্ৰত এক প্ৰশ্নৰ অৱতাৰণা নহৈ নোৱাৰে —— দেশ এখনৰ চৰকাৰৰ গৃহ বিভাগৰ প্ৰধান দায়িত্ব কি হব পাৰে? দেশ এখনৰ অৰ্থনৈতিক উন্নতি আৰু স্বাধীনতা অবিহনে সামাজিক, ৰাজনৈতিক স্বাধীনতাৰ যেনে দৰে কোনো মুল্য নাথাকে আইন শৃঙ্খলাৰ অবনতি হলে অৰ্থনৈতিক স্বাধীনতাৰ লগতে আন আন স্বাধীনতাৰ কি মুল্য হব পাৰে । সাম্প্ৰদায়িক সংঘৰ্ষৰ দ্বাৰা নিজৰ ধন সম্পত্তি লুট পাট হৈ যায় তেন্তে, আন অধিকাৰবোৰৰ কিবা মূল্য থাকিবনে? উদাহৰণ স্বৰূপে দেশ বৃটিচ সকলৰ পৰা স্বাধীনতা লাভ কৰাৰ পিছত ভাৰত পাকিস্থান হোৱাত সাম্প্ৰদায়িক সংঘৰ্ষই গা কৰি উঠিছিল। সেই সময়ৰ ভাৰতবৰ্ষৰ গৃহদপ্তৰৰ মন্ত্ৰী সৰ্দাৰ বল্লবভাই পেটেলে দিল্লীত সাম্প্ৰদায়িক সংঘৰ্ষ চলি থকা অৱস্থাতে গুজৰাটলৈ যোৱাৰ বাবে চৰকাৰী ভ্ৰমণ সূচী বনাইছিল। দিল্লী, আলিগড়, মুৰাদাবাদ, মুজাফৰপুৰ, অসমৰ ছিলেট, নামনি অসম, পঞ্জাৱ, আদি ঠাইবোৰত হিন্দু মুছলমান সংঘৰ্ষই ভাৰতবৰ্ষত তেজৰ নৈ বোৱাইছিল। জ্বলি উঠিছিল ভাৰতবৰ্ষৰ চহৰবোৰ। Gandhiji said that he saw Muslims of Delhi being killed before his own eyes. This was being done while his own vallabhbhai was the Home member of the government of India and responsible for maintaing law and order in the capital. Sardar Patel was responsible for the murder of the Muslims: (India wins Freedom) গৃহ বিভাগৰ নিস্ক্ৰিয়তাৰ কাৰণ— আৰু চৰকাৰৰ সঠিক নিৰ্দ্দেশনাৰ অভাৱ কিয়—? অতীতৰ ভাৰতবৰ্ষৰ প্ৰসাশনিক ৰাজনৈতিক পটবোৰ লক্ষনীয় আৰু তাৎপৰ্য্যপূৰ্ণ। মহাত্মা গান্ধীয়ে পেটেলক গুজৰাটলৈ সংঘৰ্ষ পীড়িত এনে সময়ত যাবলৈ বাধা আৰোপ কৰিছিল। মহাত্মা গান্ধী, জৱহৰলাল নেহৰুয়ে পেটেলক সাম্প্ৰদায়িক সংঘৰ্ষৰ কথা জনাই থকা সত্বেও তেওঁ

ইয়াৰ প্ৰতি কোনো কাণসাৰ দিয়া নাছিল। "This was reported to Sardar Patel but he paid herdly any attention to such capital" বৈচিত্ৰ্যময় সেই ভাৰতবৰ্ষৰ শিক্ষা সাধনাৰ উন্নতিৰ দেশত আৰু প্ৰাচীন সভ্যতাৰ লগতে সাম্প্ৰদায়িক সংঘৰ্ষৰ পুনৰাবৃত্তি ঘটিছে পুনৰ উত্তৰ প্ৰদেশ আৰু গুজৰাটত। সেই সময়তে আলোচিত হৈছিল আৰু কৈছিল "Muslim of U.P.and Bihar were a minority and would remain so even after partition". (Divided India) মহম্মদ আলি জিন্নাই ভৰিছিল যে পাকিস্থান গঠন হোৱাৰ পৰিণতি স্বৰূপ ইয়াৰ প্ৰকৃত অৱস্থা প্ৰকাশ পাইছিল। পাকিস্থানত হিন্দু, শিখ সকলৰ একেই অৱস্থা হৈছিল। মুছলমান সকলক দিন দুপৰতেই হত্যা কৰা হৈছিল। তেওঁলোকে প্ৰথমতে offensive হৈ হিন্দু শিখ সকলক আক্ৰমণ কৰা নাছিল। নতুনকৈ পাকিস্থান জন্ম হোৱাৰ লগে লগে একে ভাৰতবৰ্ষৰ নাগৰিক এজনে এতিয়া ক'ত স্থিতি লব, ক'ত বসবাস কৰিব- ভাৰতবৰ্ষতনে পাকিস্থানত? দিল্লীৰ নিচিনা চহৰৰ মাজডোখৰ ঠাই এৰি পাকিস্থানলৈ যাব নে নিজ মাতৃভূমি হিন্দুস্থানতেই বসবাস কৰিব। এনে কঠিন সিদ্ধান্তৰ সন্মুখীন হৈ পৰিছিল। যেনে দৰে এজন ভাৰতীয় মুছলমান তেনেদৰে দূৰূহ হৈ পৰিছিল পাকিস্থানৰ হিন্দু নাগৰিক এজনেও তেনে সিদ্ধান্তৰ বলি হৈ পৰিছিল। নিজ মাতৃভূমি দুভাগত বিভক্ত হোৱাত মুছলমান এজনে তেওঁলোকৰ মুছলিম দেশ পাকিস্থানলৈ বসতি লব আৰু হিন্দু এজনে হিন্দুস্থানত বসবাস কৰিব। নানা সমস্যাও দেখা দিছিল – অকল দিল্লীৰ পাহাৰগঞ্জ এলেকাতেই -৬০ খনতকৈ অধিক মচজিদ নিৰ্মাণ কৰা আছিল। জৰাজীৰ্ণ হৈ পৰিছিল সেইবোৰ সাম্প্ৰাদায়িক সংঘৰ্যত ব্যক্তিগত সা-সম্পতি মাটি বাৰী আৰু বিলডিংবোৰ ধ্বংস কৰিছিল। যুগ যুগ ধৰি বসতি কৰি অহা পূৰ্ব্বপুৰুষ সকলে বিশাল অট্টালিকাৰ পৰা ভিখাৰীৰ দৰে ওলাই যাব লগা হৈছিল। ইংৰাজ সকলৰ পৰা অত্যাচাৰ শেষ নহওতেই এনে এক কঠিন সিদ্ধান্তৰ সন্মুখীন হৈ পৰিছিল ভাৰতীয় নাগৰিক। এখন নাঙল তৈয়াৰ কৰোঁতে প্ৰথমাৱস্থাত বহুবাৰ চাঁচি চুলুকী প্ৰস্তুত কৰা হয়, কিন্তু ধ্বংস কৰোঁতে এটা কোবেই যথেষ্ঠ, তেনেদৰে এটা মুহুৰ্ত্ততে যুগ যুগ ধৰি বসবাস কৰি অহা ভাৰতীয় নাগৰিক সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ দুৰ্দশাৰ বলি হব লগা হ'ল। ভাৰতবৰ্ষৰ উপাসনাৰ স্থল - মন্দিৰ, মচজিদ, সম্পত্তি নিজৰ থকা জুপুৰী এনেকৈ হেৰুৱাব লগা হৈছিল।

দিল্লী নগৰত ইয়াৰ চুবুৰীবোৰ যেনে কৰোলবাগ, লোডী কলনি, সবজি মনডি, সদৰ বজাৰ ঠাইবোৰ মুছলমান সকলৰ ঘন বসতি অঞ্চল আছিল। এই অঞ্চলবোৰত মানুহৰ ব্যক্তিগত জীৱন, সা-সম্পত্তি মুঠেও সুৰক্ষিত নাছিল। গৃহ বিভাগৰ নিৰ্দেশনাত মুছলমান সকলৰ ৰান্ধনী ঘৰৰ পৰাওঁ তেওঁলোকৰ চুপাৰী কটা কটাৰীওঁ জব্দ কৰা হৈছিল পুলিচ বাহিনীৰ হতুৱাই। পেটেলে কৈছিল - সেইবোৰৰ হতুৱাই হিন্দু আৰু শিখ সকলক মুছলমান সকলে আক্ৰমণ কৰিব পাৰে। অন্তিম পৰ্য্যায়ত পুলিচ বাহিনীৰ পক্ষেওঁ এইবোৰ অঞ্চলত মুছলমান সকলক ৰক্ষণাবেক্ষণ দিয়াত দুস্কৰ হৈ পৰিল। "At one stage the situation in these areas become so bad that no Muslim householden could go to sleep at night with the confidence that he would wake up alive the next morning." (India wings Freedom) এনে এক ভয়াবহ ঘটনাৰ মাজেদি দিল্লীৰ মুছলমান সকলক হত্যা, লুণ্ঠন, সাম্প্ৰদায়িক সংঘৰ্ষই তেওঁলোকক নিঃশেষ, নিঃসহায় আৰু ধ্বংসৰ বুকুলৈ টানি লৈছিল। উপায় বিহীন হৈ দিল্লীস্থ মুছলমান সকলৰ মতা মাইকী ধনী দুখীয়া ডেকা গাভৰু অৱশেষত সুৰক্ষিত কৰিবলৈ যত্ন কৰিছিল। ড° জাকীৰ হোসেইন দিল্লীৰ Emergancy Board লৈ গৈ কেম্পৰ নিসহায় মানুহবোৰৰ বিপন্ন জীৱন ৰক্ষা কৰিবলৈ কাবৌ কাকুতি কৰিছিল। দিল্লীৰ old Fort পুৰণা Qila অঞ্চলটোত কেম্প কৰি ৰাখিছিল। দিল্লীৰ সেই সময়ৰ চীফ কমিচনাৰ খোৰশেদ আহমেদ সিমান সাহসী প্ৰশাসক নাছিল। মুছলিম অফিচাৰ হৈ মুছলমান সকলক ৰক্ষণাবেক্ষণ বা সহায় কৰিবলৈ ভয় কৰিছিল। তেওঁ নামমাত্ৰ প্ৰশাসনিক বিষয়া আছিল। জৱাহৰলাল নেহৰুৱে গভীৰ দুখেৰে কৈছিল মই দিল্লীৰ পৰিবেশ পৰিস্থিতি সহ্য কৰিব নোৱাৰা হৈছো, দিল্লীৰ মুছলমান সকলক কুকুৰ মেকুৰীৰ দৰেই হত্যা কৰা হৈছে। অস্বস্তিবোধ কৰি গণতান্ত্ৰিক মনৰ নেহৰুৱে সৰ্দাৰ বল্লব ভাই পেটেলক কৈছিল-- গৃহ মন্ত্ৰী হৈ এইটোৱেই যদি তেওঁৰ উদ্দেশ্য তেন্তে আৰু কৰিবলৈ একো নাই। দিন দুপৰতে দিল্লী নগৰৰ মাজ মজিয়াত মুছলমান সকলক হত্যা কৰিবলৈ লৈছিল বুলি কৈ জৱহৰলাল নেহৰুৱে ক্ষোভ প্ৰকাশ কৰিছিল।





ভাৰতবৰ্ষৰ ৰাজনৈতিক পটত সাম্প্ৰদায়িকতা কোনো নতুন কথা নহয়। এসময়ত যি দৰে বাবৰী মচজিদ ৰক্ষণাবেক্ষণ দিবলৈ গৃহ বিভাগে অপাৰগ হৈ পৰিছিল বৰ্ত্তমান ভাজপা চৰকাৰৰ গৃহ বিভাগে ২০০২ চনৰ মাৰ্চৰ ১৫ তাৰিখ ৰাম মন্দিৰ কৰ সেৱাৰ কাম কৰাটো এক নতুন কৌশল। এই খন চৰকাৰৰ গৃহ মন্ত্ৰীৰ দপ্তৰত গণতন্ত্ৰৰ দোহাই দি বল্লবভাই পেটেলৰ ৰাস্তা অনুকৰণ কৰিছে নেকি বুলি ভাৰতবৰ্ষৰ মানুহে সন্দেহৰ চকুৰে চাইছে। বল্লবভাই পেটেল পেটে পেটে মহাত্মা গান্ধীকো ষড়যন্ত্ৰৰ দৃষ্টিৰে চাইছিল। যাৰ ফলত মুছলমান সকল যি দৰে দুষ্ট সাম্প্ৰদায়িক শক্তিৰ হাতত মৃত্যু বৰণ কৰিবলগীয়া হৈছিল মহাত্মা গান্ধীয়ো সেই একে পথৰ যাত্ৰী হৈছিল। ৰক্ষণাবেক্ষণ দিবলৈ দেশত লক্ষ লক্ষ পুলিচ মিলিটাৰী থকা সত্বেওঁ ভাৰতবৰ্ষত সৃষ্টি হয় সাম্প্ৰদায়িকতা, সন্ত্ৰাসবাদ, উগ্ৰপন্থী- ইয়াৰ মুলতে গৃহবিভাগৰ প্ৰশাসনিক দুৰ্ব্বলতা নহয়নে?

ৰেলগাড়ীতেই হওঁক আকাশী জাহাজতেই হওঁক, ৰাজআলিতেই হওঁক, চহৰ, নগৰ, গাওঁবোৰক পুলিচ-মিলিটাৰী বাহিনীয়ে যিকোনো পৰিবেশত নিয়ন্ত্ৰণ কৰি ৰখাৰ ক্ষমতা অকল গৃহ বিভাগতেই আছে। ৰাম জনমভূমি মন্দিৰ নিৰ্মান কৰা নকৰা, গৃহ বিভাগৰ দায়িত্ব। চাৰিখন ৰাজ্যৰ নিৰ্বাচনত ভাঃ জঃ পাঃ ৰ পতনৰ লক্ষণবোৰৰ উমান পাই মুছলিম ভোটাৰৰ লগতে গণতান্ত্ৰিক নিৰপেক্ষ হিন্দু পৰিয়ালবোৰ সাম্প্ৰদায়িকতাৰ উচটনিৰ পৰা ৰক্ষা নপৰিল। কাৰগিলৰ যুদ্ধ নহলে যি দৰে ভাঃ জঃ পাঃ ক্ষমতালৈ অহা কঠিন আছিল। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত কংগ্ৰেছ (ই) দল ক্ষমতালৈ অহাৰ নমুনা চাইহে পুনৰ ৰাজনৈতিক হত্যাৰ বলি হৈছে নিৰিহ জনসাধাৰণ। উত্তৰ প্ৰদেশেই হৈছে ইয়াৰ factor কাৰণ উক্ত প্ৰদেশখনে যি ৰাজনৈতিক দলৰ সমৰ্থন দিয়ে সেই দলেই কেন্দ্ৰত চৰকাৰ গঠন কৰে, বাবৰী মচজিদ আৰু ৰাম জনমভূমি স্থল তাতেই। ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীৰ গাঁথনিৰ গণতান্ত্ৰিক পৰম্পৰা নষ্ট কৰিবলৈ লৈছে চৰকাৰৰ গৃহ বিভাগে। সাম্প্ৰদায়িক সদভাৱনাই ইয়াৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হলেহে ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ সপোন ফলৱতী হব। বিশ্ব হিন্দু পৰিষদ, আৰ এছ এছ, ভাঃ জঃ পাঃ, গৃহ বিভাগ, সংবিধানক সন্মান কৰি আইন শৃংখলা ৰক্ষণাবেক্ষণ দিয়াৰ মনোভাবেৰে কাম কৰা উচিত। গৃহ বিভাগ সজাগ হোৱা উচিত। মাত্ৰ কেইদিন মান আগতে ২০০১ চনত ১৩ ডিচেম্বৰৰ দিনাখন ভাৰতবৰ্ষৰ ইতিহাসত এক উল্লেখনীয় ঘটনা। সংসদ ভৱনটোকেই উগ্ৰপন্থী সকলে ধ্বংস কৰিবলৈ লোৱা অপচেষ্টাটোক আগতীয়াকৈ নজনাটো ভৰতবৰ্ষৰ নিচিনা বিশাল দেশৰ গৃহ দপ্তৰৰ গোয়েন্দা বিভাগৰ অযোগ্যতাৰ পৰিচয় নহয়নে? একেই পদ্ধতিত সাংসদ প্ৰতিনিধি শ্ৰীমতী ফুলন দেৱীক দিল্লীৰ মাজমজিয়াতে হত্যা কৰিছিল। ইন্দিৰা গান্ধী(ৰাজীৱ গান্ধী)ক নিজ বাসভৱনত হত্যা কৰটো গৃহ বিভাগৰ ব্যৰ্থতাৰ পৰিচয় দিছে। আইন শৃংখলা ৰক্ষণাবেক্ষণ দিব নোৱাৰিলে ভাৰতবৰ্ষৰ সংবিধান মতে ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্ত্তন কৰাৰ নিয়ম আছে। আহমেদাবাদৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত উগ্ৰপন্থী দমন কৰিব নোৱাৰা চৰকাৰৰে সংবিধান সন্মতভাবেই পদত্যাগ কৰিব পাৰে। সেয়ে সাম্প্ৰদায়িকতা- তেতিয়া আৰু এতিয়াওঁ জাগ্ৰত হৈ আছে। তেন্তে এই সাম্প্ৰদায়িকতা কিয় -- আৰু কেনেকৈ ?



# ভয়াল নিশা (এটি ভৌতিক গল্প)

✍ শামচুন নেহাৰ
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

কিবা এটা পৰি যোৱা শব্দ শুনি ৰাহুলে টোপনিৰ পৰা সাৰ পাই বিচনাত উঠি বহিল। ডিম লাইটৰ ক্ষীণ পোহৰত দেখা পালে ৰাতি প্ৰায় বাৰ বাজিছে। ক্ষন্তেক পিচতে আকৌ কিবা এটা শব্দ পালে। সি ধৰিব পাৰিলে যে ভাত খোৱা টেবুলৰ ওচৰত থোৱা বাল্টিটো পৰিছে। বাল্টিটো পৰি যোৱা শব্দ শুনি চাবলৈ যাওঁ বুলি আঠুৱাৰ তলৰ পৰা ভৰি দুখন উলিয়াইছেহে মাথোন এনেতে আকৌ এটি শব্দ হ'ল। অৱশ্যে শব্দৰ তীব্ৰতা এইবাৰ আগতকৈ কম। এইবাৰ পানী খোৱা ষ্টিলৰ গিলাচটো পৰিছে। শব্দ শুনাৰ লগে লগে ৰাহুলে ভৰি দুখন পুনৰ আঠুৱাৰ ভিতৰলৈ আনিলে। ৰাহুলৰ বৰ ভয় লাগিল। কাৰণ ঘৰত সি এতিয়া অকলে, তাৰ বুকুৰ স্পন্দন ক্ৰমে বৃদ্ধি পাইছে।

এয়া কিহৰ শব্দ? কোনোবা ফালেদি মেকুৰী-চেকুৰীয়েই সোমাল নেকি ? হবও পাৰে। ভাত খোৱা কমৰ ভেন্টিলেটৰ এখন খুলি থোৱা আছে। কিন্তু মেকুৰীয়ে জানো এনেদৰে শব্দ কৰি বস্তু পেলাব? প্ৰশ্নবোৰ ৰাহুলৰ মনৰ ভিতৰত জাগিব ধৰিলে।

ক্ৰমে বাঢ়ি অহা বুকুৰ স্পন্দনক বাধা দি ৰাহুলে সাহস গোটোৱাৰ চেষ্টা কৰিলে। অন্তত এইখিনি সময়ত সাহসৰ বৰ প্ৰয়োজন। সেয়ে বুকুত কিছু সাহস কৰি সি আকৌ এবাৰ বিছনাৰ পৰা নামিবলৈ দুহাতেৰে আঠুৱাখন দাঙি ধৰিলে। কিন্তু ! ডিম লাইটৰ ক্ষীণ পোহৰত ৰাহুলৰ চকুত পৰিল নাৰীৰ অৱয়বৰে ঢকঢকীয়া বগা সাজেৰে কিবা এটা খিড়িকীৰ কাষেৰে পাৰ হৈ যাব ধৰিছে। নাৰী মূৰ্তিটোৰ ফালে চাই থাকোতেই এটা সময়ত খিড়িকীৰ কাষৰ পৰা বস্তুটো অদৃশ্য হৈ গ'ল। সি চিঞৰিব খুজিও চিঞৰিব নোৱাৰিলে। সি মূৰ্চ্ছা যাই বিছনাতে পৰি ৰ'ল।

সূৰুযৰ প্ৰথম কিৰণ মুখত পৰাতহে ৰাহুলৰ তন্দ্ৰা ভাগিল। বিছনাৰ পৰা নামি সি বাথৰুমলৈ যাব বুলি খোজ পেলাওঁতে হঠাৎ ঘৰৰ বাহিৰত মানুহৰ কথা বতৰাৰ শব্দ শুনি আগফালৰ দুৱাৰখন খুলি দেখিলে ঘৰৰ সন্মুখত অসংখ্য মানুহৰ জুম। ৰাহুলক দেখি মানুহবিলাকে ইজনে সিজনক কিবা কিবি ফুচ-ফুচাই কৈ তাৰ পৰা আঁতৰি গ'ল। মানুহবোৰৰ এনে অদ্ভূত আচৰণত ৰাহুল হতভম্ব হ'ল। সি পুনৰ কোঠাত সোমাল। ভাতখোৱা কমটো এবাৰ চাবলৈ ইচ্ছা হ'ল যদিও অজানিত ভয় কিছুমানে তাক বাধা দিলে। তথাপিও সি আগবাঢ়িল। ভাত খোৱা কমৰ দুৱাৰখন মেলি দিয়াত ৰাহুলৰ নিজৰ ওপৰত বিশ্বাস হেৰুওৱাৰ উপক্ৰম হ'ল। ৰাতি ইমানবোৰ ঘটনা ঘটি গল। তথাপিও তাৰ এটা চিহ্নও নাই। বস্তুবোৰ যেনেদৰে থৈ দিয়া হৈছিল তেনেদৰেই আছে। গিলাচ, বাল্টি পৰা বুলি ভাবিছিল কিন্তু সেইবোৰ পৰি যোৱাৰ কোনো চিনেই নাই। ঘটনাৰ একো আঁত ধৰিব নোৱাৰিলে ৰাহুলে। ততাতৈয়াকৈ সি কাপোৰযোৰ পিন্ধি অফিচলৈ বুলি ওলাল।

অফিচলৈ যোৱাৰ সময়ত সি ৰেষ্টুৰেণ্ট এখনত সোমাই চাহ একাপ খাই ললে। অফিচত তাৰ একো ভাল নেলাগিল। ৰাতি ঘটা ঘটনাবোৰ তাৰ মনত বাৰে বাৰে আহিবলৈ ধৰিলে। কিবা অচিনাকি ভয় আৰু চিন্তাই তাৰ মনটো ঘেৰি ধৰিছে।





এই ঠাইডোখৰলৈ অহাৰ ৰাহুলৰ মাত্ৰ এসপ্তাহহে হৈছে। এপইন্টমেণ্ট লেটাৰখন পোৱাৰ পিছত পোষ্ট হ'ল তাৰ এইখন ঠাইত। ঘৰৰ পৰা ইয়ালৈ যথেষ্ট দূৰ। প্ৰায় এদিনৰ বাট। ইয়ালৈ অহাৰ সময়ত তাৰ দাদায়ো তেওঁৰ লগত আহিছিল। দুদিন থাকিয়ে গুচি গৈছে। ইয়াত তেওঁৰ আপোন বুলিবলৈ কোনো নাই। এতিয়া সি কাৰ সহায় ল'ব। কাৰোবাৰ মাতত তাৰ সন্দেদ আহিল। সি চাই দেখিলে চন্দন হাজৰিকা তাৰ ওচৰত থিয় হৈ আছে।

সি ক'লে---- বহক।

হাজৰিকা তেওঁৰ সন্মুখত চকী এখনত বহী পৰিল। যোৱা ৰাতি কেনেদৰে পাৰ হ'ল- হাজৰিকাই ক'লে। ভালেই, ভালদৰে- তাৰ চমু উত্তৰ। কিয় ? আপুনি ৰাতি সেইখন ঘৰত একো শব্দ শুনা নাই ? হাজৰিকাই ক'লে।

সি একো নক'লে। ৰাতি ঘটা ঘটনাবোৰ হাজৰিকাৰ ওচৰত ক'বলৈও তাৰ লাজ লাগিল। সি সুধিলে ইয়াৰ আগতে সেইখন ঘৰত কোনোবা ভাড়াতীয়া আছিল নে?

চন্দন হাজৰিকাই ক'লে- তিনি বছৰ মান আগতে প্ৰভাত বৰুৱা তেখেতৰ পৰিয়াল লৈ ইয়াত আছিল। তেখেতৰ মাজু ছোৱালীজনী সেইখন ঘৰত ডিঙিত চিপজৰী লৈ আত্মহত্যা কৰিছিল। তেতিয়াই তেখেতে পৰিয়াল লৈ ঘৰখনত তলা মাৰি ইয়াৰ পৰা গুচি গৈছিল। সেইখন ঘৰৰ ওচৰে পাজৰে কোনো মানুহেই নেযায়। ৰাতি ভয়ংকৰ ভয়ংকৰ শব্দ শুনা যায়। আপোনাক জানো কথাটো বৰুৱাই তাত আশ্ৰয় দিয়াৰ আগতে কোৱা নাই?

ওহো সি মূৰৰে 'না' কৰিলে। হাজৰিকাই ক'লে- কথাটো আপোনাক ক'ব লাগিছিল। ইয়াত কোনো ভাড়াতীয়াই নাহে। ভাড়াতীয়া হিচাবে আপুনিয়ে প্ৰথম।

ৰাহুলে আৰু একো নুশুনিলে। তাৰ চকুৰ আগতে কেৱল ভাঁহি উঠিল বগা সাজ পৰিহিতা চুলি মেলি দিয়া যুৱতীগৰাকী তাৰ শোৱাকোঠাৰ খিড়িকীৰ ওচৰেৰে পাৰ হৈ যোৱাটো।



## এজাক বৰষুণ আহিছিল

✍ ছৈয়দা মেহেৰুন্নীছা বেগম
জ্যেষ্ঠ অধ্যাপিকা, অসমীয়া বিভাগ
নৱজ্যেতি মহাবিদ্যালয়, কলগাছিয়া।

বতৰটো সেমেকি আছিল
এজাক বৰষুণ আহিছিল,
প্ৰতিটো টোপালে তাইৰ বুকুত
বুলেটৰ দৰে বিন্ধিছিল।
অবুজ বেদনাত তাই উছুপিছিল,
দুটোপাল চকুলো।
নিগৰি নিগৰি আহিছিল,
ঠিক অলপ আগতে অহা
বৰষুণ জাকৰ দৰেই।।

## মহৎ লোকৰ বাণী

ঘৃণা সদায় হানিকৰ, প্ৰেম অমৰ। গতিকে ঘৃণাক লোপ কৰি স্নেহ বৃদ্ধি কৰা মানৱৰ কৰ্ত্তব্য।

মহাত্মা গান্ধী।

মানুহ হৈছে সপোনক দিঠকত পৰিণত কৰা শিল্পী।

জ্যোতি প্ৰসাদ আগৰৱালা।

তুমি তোমাৰ লক্ষ্যত উপনীত হবলৈ হৃদয়ক সাহসী কৰি তোলা,
তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য্য নোহোৱা।

শ্বেক্সপীয়েৰ।

সংগ্ৰহ
ৰেকিবুজ্জামান
স্নাতক ২য় বৰ্ষ (ক'লা শাখা)





## ক্লান্তিহীন মানৱ

✍ কংকনা গগৈ
স্নাতক, প্ৰথম বৰ্ষ (কলা শাখা)

নিদ্ৰাত মগন্ন যেন লাগিছে আজি
মানুহৰূপী সকলো,
গোটেই বিশ্বই জানো অনুভৱ কৰিছে এই ক্লান্তি?
নাজানো, কিয় মোৰ এই প্ৰশ্ন বাৰু!

পূৱাৰ প্ৰভাতৰ এটি নিখুত প'লত
যেতিয়া চৰাই চিৰিকতিয়ে কিৰিলি পাৰে,
মই দুচকু মেলি চৌপাশে চাওঁ
কিয় জানো হৃদয় মোৰ থমকি ৰয় অজানিতে।

গোটেই বিশ্বই যেতিয়া বিভূৰ মাথো
আপ্ৰাণ কৰ্মৰ ক্লান্তিৰ নিদ্ৰাত,
কেইটিমান উশাহে মাথো প্ৰতীক্ষাত কটায়
দুচকু মেলি আগন্তুক জাননীৰ আশংকাত।

তেওঁলোকৰ গতি যে ক্ষন্তেকতেই স্তব্ধ হৈ ৰয়
কোনটো দিশেনো যাব,
চৌপাশে চকু মেলি চাই লয়হে মাথো
চৌপাশে যেন অজানিতেই আৱদ্ধ।

কিয় বাৰু লৈছা বাছি তোমালোকে
এই দুৰ্বাৰ দুৰ্গম বাটটি ?
নিজকে নিজে প্ৰশ্ন কৰা চোন
নাই তোমালোকৰ অন্ত সমাধি।

বহু আশাৰে নিৰলে বাট চাই ৰয়
মাথো দুটি অশ্ৰু ভৰা নয়নে,
হৃদয় জ্বলাই মাথো কল্পনাৰে দীপ্ত শিখা
মাথো কল্পনাৰেই প্ৰকাশ হৃদয়ৰ প্ৰতিটো প'লে।

## "আশা"

✍ ছামচুজ জামান খান
স্নাতক ১ম বৰ্ষ (কলা শাখা)



মৰম
এটি নে
যাৰ সিপাৰে
তুমি
আৰু ইপাৰে
মই।

তোমাৰ দৰ্শনে
দুৰু-দুৰু প্ৰকম্পিত
বুকু মোৰ
অদৰ্শনে আক'
চুচুৰ্মে হিয়া।
মাজত
সৰুবৰ জলতৰঙ্গৰ
কল কলনি
কলীয়া কুলিৰ
সুমধুৰ সুৰ
জহি-খহি যোৱা বাট
নিৰ্বিকাৰ আশান্বিত মই
মাথো এবুকু মৰম
নিয়া দিয়াৰ বাবে
আছো বৈ।।

## কাবেৰী বনত কৃষ্ণচূড়াৰ হাঁহি

✍ আছিফা হাচান
স্নাতকৰ ২য় বৰ্ষ (কলা শাখা)

কৃষ্ণচূড়া তোমাৰ পাতৰ লহৰত
মোৰ হৃদয় আছে,
তুমি জানানে তোমাৰ সতেজ ধ্বনিত
মোৰ উৰুখা পঁজাত সেউজৰ পুৰা নামে
মোৰ প্ৰেমৰ দুনৰিত
তোমাৰ সতেজতা আছে,
পৃথিৱীত আজি জ্বলা জুইৰ গৰম বতাহ
শ শ মানুহৰ হৃদয় জ্বলা
তোমাক দেখিলে মোৰ জ্বলা পৃথিৱীত
সেউজ পুৰাৰ সোনালী বেলিৰ
মিচিকিয়া হাঁহি ভাহে।
কৃষ্ণচূড়া তুমি মোৰ হৃদয় চুলা
সপোনে সপোনে বিচাৰো তোমাক
গোপন কোণত লোণ লহৰত
জোনাকৰ ভাজে ভাজে তোমাৰ
হৃদয়ত বাঁ লওতে মোৰ
হ'লহি পুৰা।



## "সপোন"

✍ মহঃ আৰিফুল ইছলাম
উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান শাখা)

হৃদয়ৰ ফুলনিত তুমি গোলাপ হৈ ফুলিলা।
কোনেনো সুবাস দিলে তোমাক।
মোৰ মন বলিয়া কৰিলা।

সেই ফুলনিত ঘুৰি মোৰ দিন পাৰ হয়।
তোমাৰ সুবাস নাকত লাগিলে,
হৃদয় থমকি ৰয়।

তুমি বাৰু চিৰদিন ফুলিবানে ফুল হৈ,
অপেক্ষা কৰিম তোমালৈ মই,
গোলাপ এপাহি লৈ।



অসমীয়া ভাষা আমাৰ মাতৃভাষা, মাতৃৰ নিচিনা বাবেই বেজাৰ পোৱা কাম কৰা সন্তানৰ বাবে অযুত। ই শাস্ত্ৰৰ বাক্য। গতিকে অসমীয়া সকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি প্ৰকাশ কৰা উচিত।
আনন্দৰাম ঢেকিয়াল ফুকন।

জীৱনটো এটা সংগ্ৰামৰ থলি। সাহসী আৰু কৰ্মপটু জনেহে এই সংগ্ৰামত জয় কৰিব পাৰে।
নেপোলিয়ন।

সংগ্ৰহ ঃ
আছিফা হাচান
স্নাতক ২য় বৰ্ষ (ক'লা শাখা)





# প্ৰতিঘাত

✍ ওৱাজেদুল হাচান
*স্নাতক মহলা ২য় বৰ্ষ (কলা শাখা)*

এটা সপ্তাহ অনেক আশা বুকুত বান্ধি থকাৰ পিছত প্ৰফেছাৰ অতুল বৰুৱাই ডাক যোগে চিঠি এখন পালে। খামটো খুলিবলৈ লওঁতেই তেওঁ অনুভৱ কৰিলে যে হাতখন কঁপিছে। তেওঁ জ্বৰ ঘমাদি ঘামিব ধৰিলে। খামৰ পৰা চিঠিখন উলিয়াই একে উশাহতে পঢ়িলে। চিঠিত লিখা আছে।

শ্ৰীবৰুৱা চাহাব,

"আপোনাৰ জীৱনতকৈ অধিক ভাল পোৱা মৰমৰ 'কণক' আপোনাৰ বংশৰ একমাত্ৰ উত্তৰাধিকাৰী। শ্ৰীকণক বৰুৱা বৰ্তমানে আমাৰ জিম্মাত। আমি এক উগ্ৰপন্থী সাংগঠনৰ লগত জড়িত। যদি আপুনি আপোনাৰ লৰা জীৱিত অৱস্থাত ঘূৰাই পাব বিচাৰে, তেন্তে নৱৈ লাখ টকা সংগ্ৰহ কৰি ৰাখিব। কঁত কেতিয়া লগ ধৰিব লাগিব তাক অতি সোনকালে জনোৱা হব। এটা কথা মনত ৰাখিব পুলিচৰ লগত কোনো সম্বন্ধ নাৰাখিব। নহলে ইয়াৰ পৰিণাম আৰু ভয়ংকৰ হ ব।'ইতি,
"আমি"

বৰুৱাই চিঠিখন মনে মনে কেইবাবাৰো পঢ়িলে। ইমান টকা পামেই বা ক'ৰ পৰা। নৱৈ লাখ! এফালে একমাত্ৰ ল'ৰা আৰু আনফালে নৱৈ লাখ টকা। বৰুৱাই নিজকে অসহায় অনুভৱ কৰিব ধৰিলে। পাচঁ দিন আগতে কণক সন্ধানহীন হৈছিল। কণক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ। চাৰি পাঁচ জনীয়া দল এটাই কণকক মাতি নি এখন ৰঙা টাটা ছুমুত তুলিছিল। কণকে কোনো ধৰণৰ প্ৰতিবাদ কৰা নাছিল। প্ৰফেছৰ অতুল বৰুৱাই সিদিনা ৰাতি ন বজাত ঘৰলৈ আহি কণকে উভতি নহা কথাবাৰ গম পাই প্ৰথমে বিশ্বাসেই কৰা নাছিল। গোটেই চহৰখনত কণকক বলিয়াৰ দৰে বিচাৰি ফুৰিছিল। উপায়বিহীন হৈ থানাত এজাহাৰ দিয়ে। পুলিছে ভুৱা আশ্বাসৰ বাহিৰে একো দিব নোৱাৰিলে। পেপাৰ পত্ৰিকাতো অপহৰণৰ বাতৰি ওলাল। অপহৰণৰ ঘটনাক লৈ চহৰত কোনো চাঞ্চল্য দেখা নগ'ল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে এই অপহৰণৰ বিৰুদ্ধে মৌন সমদল উলিয়ালে।

আজি চিঠিখন পাই তেওঁ উদ্বিগ্ন হৈ পৰিল। এনে দুখৰ সময়ত তেওঁ প্ৰকৃত বন্ধু বান্ধৱৰ পৰা বাস্তৱিক সহায়,উপদেশ পোৱাটো বাৰুকৈয়ে অনুভৱ কৰিলে। পুলিচৰ ওপৰত তেওঁৰ অকনো আস্থা নাই। হঠাৎ তেওঁৰ বন্ধু লেখক মফিজ উদ্দিনৰ কথা মনত পৰিল। তেওঁ মফিজৰ ওচৰলৈ যোৱাটোকে ঠিক কৰিলে। বাস্তৱত তেওঁ ভাবিলে অপহৰণকাৰীয়ে ধাৰণা কৰাৰ দৰে তেওঁ সিমান ধনী মানুহ নহয়। কিন্তু এই কথা হৃদয় বিহীন অপহৰণ কাৰীক বুজাব কেনেকৈ? সিহঁতৰ বাবে কিডনাপিং সহজতে ধন ঘটাৰ ব্যৱসায়ত পৰিণত হৈ পৰিছে।

বন্ধু মফিজ উদ্দিন ঘৰতেই আছিল। মফিজে তেওঁক ভিতৰলৈ নিলে। মফিজৰ ঘৰটো তেনেই সাধাৰণ দুই কোঠালিৰ ঘৰ। কলমেই জীৱিকাৰ একমাত্ৰ অৱলম্বন। চাকৰি, বাকৰি ব্যৱসায় একোৱেই নাই। তিনিটা সন্তানেৰে এটা সুখী পৰিয়াল। মফিজে চশমাযোৰ ঠিক কৰি কলে- মই তোমাৰ কথাটো গম পাইছো। যাওঁ যাওঁকৈ আছিলো। কিবা খবৰ পোৱা গ'লনে লৰাজনৰ? অতুল বৰুৱাই মুখেৰে একো নকৈ জেপৰ পৰা চিঠিখন উলিয়াই বন্ধুৰ হাতত দিলে। মফিজে চিঠিখন পঢ়ি চশমাযোৰ কপালত উঠাই মাথো কলে- নৱৈ লাখ!! এৰা নবৈব লাখ. ঘৰৰ মাটিডৰা বিক্ৰী কৰিব লাগিব যেন পাইছো।

এহ ৰহচোন মাটিখিনি কিয় বিক্ৰী কৰিবা। অন্য উপায় চিন্তা কৰিব লাগিব। মফিজ কিবা এটা কৰা ভাই, নহলে মই শেষ হৈ যাম। মফিজৰ পত্নী নাজিৰা আখতাৰে দুয়োকে চাহ জলপান দি গ'ল। চাহ খাই থকাৰ মাজতে মফিজে মাত লগালে। সিহঁতে নিশ্চয় দুই এদিনৰ ভিতৰতে যোগাযোগ কৰিব। মই ৰাতিটোৰ ভিতৰতে ভাল উপায় এটা চিন্তা কৰি উলিয়াম। তুমি চিন্তা নকৰিবা।

মফিজ তুমিয়েই মোৰ বিপদৰ একমাত্ৰ বন্ধু। এই বিপদৰ সময়ত মই সকলোকে চিনি পালো, আক্ষেপেৰে কলে বৰুৱাই। তুমি সকলো দায়িত্ব মোৰ ওপৰতে এৰি দিয়া। এতিয়া চিন্তা নকৰিবা মফিজে বৰুৱাৰ কান্ধত ধৰি কলে। বৰুৱা,মই এতিয়া আহো। টকা পইচাৰ বাবে তুমি চিন্তা নকৰিবা। যিমান লাগে দিম। হব, এতিয়া যোৱাগৈ।

ৰাতি দহ বজাত ফোনটো বাজি উঠিল। বৰুৱাই ৰিচিভাৰ তুলি ললে। এক অচিন কণ্ঠ, হেল্লো বৰুৱা নেকি? মই অতুল বৰুৱা, আপুনি কোন? অ বৰুৱা! গুড! ভাল দৰে শুনক অহাকালি সন্ধিয়া ঠিক ৫ বজাত আমি দাবী কৰা মাললৈ আহিব। ক'ত আহিব মই কৈ দিছো। এই চহৰৰ পৰা ৪০ কিঃ মিঃৰ উত্তৰে থকা পাহাৰৰ দাঁতিত। মনত থাকিবনে? কিন্তু বেছি চালাক হবলৈ গৈ পুলিচক খবৰ নিদিব। অকলশৰে আহিব। অন্যথাই ..........। মই অকলশৰে আহিম আৰু সম্পূৰ্ণ টকালৈ আহিম। মোৰ ল'ৰা কেৱল সুস্থ অৱস্থাত পাব লাগে। ৰাতি পুৱা ৫ বজাত কলিং বেলৰ মাত শুনি বৰুৱাই বিছনাৰ পৰা নামি আহি দুৱাৰ খুলি দিলে।

অ মফিজ তুমি?

এৰা মই!

কি কথা ভাই? মফিজক ইমান পুৱাতে দেখি সচাকৈয়েই আচৰিত হ'ল। নকবা আৰু! মই সিহতক জব্দ কৰা উপায় বিচাৰি পাইছো। কেনেকুৱা উপায়? ৰাতি সিহতে মোলৈ ফোন কৰিছিল আজি লাষ্টডেট। বৰুৱাই ফোনৰ কথা বিৱৰি কলে। তাৰ মানে সিহঁতক টকা সোনকালে লাগে।

মফিজে হাঁহিলে।

বাৰু তোমাৰ উপায়ৰ কথা কোৱাচোন। মফিজে তাৰ আঁচনিৰ কথা বৰুৱাক বিৱৰি কলে। শুনি বৰুৱা স্তব্ধ হ'ল। বহু সময় পিছত মাত ওলাল। তোমাৰ আঁচনিখন ঠিক আছে। কিন্তু তেওঁলোকে যে পুলিচৰ সহায় লবলৈ মানা কৰিছে আৰু এইবোৰ বস্তু পাবা ক'ত। টকা ঢালিলে আজি কালি কি পোৱা নাযায়। কিমান টকা লাগিব? কিমান টকা লাগিব মই এতিয়াই কব নোৱাৰো, কিন্তু বস্তুবোৰ ক'ত পোৱা যাব, মই হলে জানো।

কিন্তু মোৰ ল'ৰাৰ একো অপকাৰ নহয়তো? বৰুৱাই কলে। এনেকুৱা কামত অলপ ৰিস্ক লবই লাগিব বুজিছা। তুমি অলপ সাহসী হোৱা, মফিজ সৰু ল'ৰাক বুজনি দিয়াৰ দৰে কলে। তেনেহলে তুমি তাৰ বন্দবস্ত কৰাগৈ। তেন্তে মই আহিলো। ৰবা ৰবা চাহ খাই যাবা। টকাও লৈ যোৱা। আবেলি ৫ বজাত এটি ডাঙৰ এটাচীবেগ মাৰুতি কাৰত তুলি অপহৰণ কাৰীয়ে কোৱা নিৰ্দ্দিষ্ট ঠাইত উপস্থিত হ'ল। তেওঁ উগুল থুগুল মনলৈ নিৰ্দ্দিষ্ট ঠাই পাইছিল। তেওঁ গাড়ীখন ঘূৰাই চহৰ মূখী কৰি গাড়ীৰ ভিতৰত বহী থাকিল। গাড়ীৰ ষ্টাৰ্ট বন্ধ নকৰিলে।

লাহে লাহে পৃথিৱীৰ বুকুলৈ এন্ধাৰ নামি আহিছে। নিৰ্জন ঠাইখন ৰহস্যময়ী হৈ উঠিছে। ঠিক তেনেতে বিপৰীত দিশৰ পৰা ডাঙৰ এখন টাটা ছুমু আহি তেওঁৰ পৰা প্ৰায় দহ মিটাৰ মান আতৰত ৰৈ গ'ল। বৰুৱাৰ বুকু চিৰিংকৈ উঠিল। তেওঁ থৰক বৰক কৈ গাড়ীৰ পৰা নামিল। তেওঁৰ লৰা 'কণকক' সিহঁতে গাড়ীৰ পৰা নমালে। তাৰ চকুযোৰ কলা কাপোৰেৰে বন্ধা।

মিঃ অতুল বৰুৱা? এজনে প্ৰশ্ন কৰিলে।

হয়।

বাহিৰ কৰক।

বৰুৱাই গধুৰ বেগখন গাড়ীৰ পৰা উলিয়াই মাটিত থলে। হাতত মাৰণাস্ত্ৰ লোৱা মুখা পিন্ধা দুজন ধীৰ খোজেৰে তেওঁৰ ওচৰলৈ আহিল। তেওঁ বেগৰ চাবি সিহঁতৰ হাতত তুলি দিলে। এজন বেগখন খুলিলে। বেগখন টকাৰে ঠাহ খাই আছিল। এজনে কলে অ'কে, বন্ধ কৰা। হেৰফেৰ কৰিলে কিন্তু দিগদাৰ আছে বৰুৱা। বিশ্বাস নহয় যদি গণি চাওঁক। বৰুৱাই ঢোক গিলি কলে। বৰুৱাই থৰ থৰকৈ কঁপি সিহঁতৰ কাণ্ড কৰখানা চাই ৰল। সিহঁতে টকাৰ বেগখন ভিতৰত থৈ এজনে কনকক তেওঁৰ ওচৰলৈ আনি কলে লওঁক আপোনাৰ আমানত। হেৰুওৱা সন্তানক পাই বুকুত সাৱটি দুয়ো গাড়ীত





উঠিল।

অপহৰণকাৰীৰ গাড়ী খন চলিবলৈ লৈছিলহে এনেতে সন্মুখৰ পৰা পুলিচৰ গাড়ী আহি আগভেটা দিলে। উগ্ৰপন্থীৰ দলটোৱে পুলিচলৈ গুলি কৰাত দুয়োপক্ষৰ মাজত হোৱা তমুল সংঘৰ্ষত এজন পুলিচৰ সৈতে আটাইকেইজন উগ্ৰপন্থীৰ থিতাতে মৃত্যু হ'ল। বৰুৱাই পুতেকক কলে এৰা সিহঁতে তোমাক বহুত কষ্ট দিছিল নহয়। হয় দেউতা, সিহতে বৰ নিৰ্দ্দয়। এৰা, সিহঁতে আমাক আঘাত দিছিল। আমি প্ৰতিঘাত দিলো।

—o—





# কুইজ

প্ৰঃ কবিতাৰ কোঁৱৰ কোন?

উঃ অম্বেশ্বৰ চেতিয়া ফুকন।

প্ৰঃ পৃথিৱীত এনেকুৱা এখন দেশ আছে, যি খন দেশৰ লোকে শোক, দুখ প্ৰকাশৰ প্ৰতীক স্বৰূপে নিজৰ দাড়ি মোচত বোকা সানি লয়?

উঃ অষ্ট্ৰেলিয়াৰ এট্ৰিজিন উইথডোৱাৰৰ।

প্ৰঃ ভাৰতৰ কোন চনত প্ৰথম কিডনী Tansplantation হৈছিল?

উঃ ১৯৭১ চনত ভেলোৰৰ ক্ৰিষ্টান মেডিকেল কলেজত।



প্ৰঃ Life as a game কাৰ আত্মজীৱনী।

উঃ মিছেল প্লটিনি।

প্ৰঃ আইচক্ৰীম কেতিয়া আবিস্কাৰ হয়?

উঃ ১৬২০ চনত গেৰাল টিষ্টেন নামৰ এগৰাকী ফৰাচী লোকে আবিস্কাৰ কৰিছিল।

প্ৰঃ কোন গৰাকী খেলুৱৈয়ে ডাঙৰ ডাঙৰ পুতলা লৈ টেনিছ কোৰ্টত আহে?

উঃ মনিকা ছেলেছে।

প্ৰঃ কোনখন গ্ৰন্থক ভাৰতৰ ধ্ৰুপদী নৃত্য কলাৰ উৎস বোলা হয়?

উঃ ভাৰতৰ নাট্য শাস্ত্ৰ।



প্ৰঃ পোঙ্গাল কোন ৰাজ্যৰ উৎসৱ?

উঃ তামিলনাডুৰ।

সংগ্ৰহ ঃ
**আছিফা হাচান**
স্নাতক ২য় বৰ্ষ (ক'লা শাখা)

## আমাৰ গাওঁ শান্তিৰ গাওঁ

✍ দোস্তঃ হাফিজুৰ ৰহমান
সম্পাদক- আলোচনী বিভাগ

কি যে ৰাস্তাটো...............
শুভযাত্ৰা, অশুভ হোৱাৰ ভয়ত,
কঁপে বিৰস্ত্ৰা হৃদপিণ্ড.............
তথাপিও স্তবদ্ধ নহয়
এই যাত্ৰাৰ ছন্দ।



পৰ্বত ভাঙি সমূদ্ৰ বাম কৰে
এমুঠি জহা চাউলৰ বাবে।
মগজুৰ ৰক্তক্ষৰণ.......... হয়
তথাপিও নেৰে নাঙলৰ কুটি
অক্লান্ত শ্ৰমৰ বাবে নিগৰি অহা
ঘাম টোপাৰে মাটি সাৰুৱা কৰে।
চাৰিপাতৰ সেউজীয়া ধাননি
ধূলিৰ ধুমুহাত বগা হৈ পৰে।
সীমান্তত আশাৰে চাই থাকে জন অৰণ্য.......
এজাক কল্যাণী বৰযুণৰ বাবে।
সেউজীয়া কোমল ধাননিৰ মাজে মাজে
অতি আকাঙ্খাৰে খোজ কাঢ়ে
এজাক চতুৰ বগলীয়ে.........।



প্ৰকৃতৰ অবতৰত ধ্বংস হয়
কৃষকৰ শ্ৰম..........
উদং হয় মুক্তিৰ ভড়াঁল
হাহাকাৰত মৃত্যু হয় কল্যাণ কাৰী মানৱৰ..........
জেনেটিক ইঞ্জিনিয়াৰ, ইণ্টাৰনেট আদি
গাওঁত নাই
চহৰৰ ড্ৰেনৰ দৰে গাঁওৰ পুখুৰীত
মৰা শ নাথাকে,
তথাপিও পুলিচৰ অবিৰাম অত্যাচাৰ.........
ইফালে চৰকাৰৰ প্ৰতাৰণা...............
সিফালে আকৌ বিদেশী খেদাৰ যাতনা...........বোৰ
নিৰবে মানি লৈছো বাবেই আমাৰ গাঁও শান্তিৰ গাঁও।।

## হৃদয়

✍ আমিৰ হুছাইন
স্নাতক মহলাৰ প্ৰথম বৰ্ষ
( ক'লা শাখা)

হে হৃদয়,
ভাবিছা কিয় তুমি
হুমুনিয়া কাঢ়ি কাঢ়ি
কিয় চকুলো পেলোৱা?
ক্ষন্তেকীয়া প্ৰেমৰ উত্তেজনা
তৃপ্তিৰ তাগিদাত
কিয় দুখ পোৱা?



নিশ্চয় তুমি জানা
পৃথিৱী ভূৱাৰ খেলা
মৰীচিকা এয়া সংসাৰ!
তথাপিও বাৰু কিয়
হতাশ হোৱা তুমি
কিবা এটা নোপোৱাৰ?
যাত্ৰী তুমি অসীমৰ
যোৱা আগুৱাই
যোৱা দিক্ দিগন্তৰ।
প্ৰেমিক প্ৰেমিকা সকলো
যাব তোমাক পাহৰি
মাত্ৰ চিনাকী দুদিনৰ।





# "সহযাত্ৰী"

✍ মিচ্ আনোৱাৰ পাৰবিন
স্নাতক ২য় বৰ্ষ (কলা শাখা)।

দীঘলীয়া উকিৰে ট্ৰেইনখন ষ্টেচন এটাত ৰৈ যোৱাৰ লগে লগে বন্দনা বাস্তৱলৈ ঘূৰি আহিল। ঘড়ীটোলৈ চালে আবেলি তিনিটা বাজিছে। লক্ষ্যস্থান পাবলৈ এতিয়াও বহু ঘন্টাৰ বাট। কথাষাৰ ভবাৰ লগে লগে মনটো সেমেকি উঠিল। খিড়িকীৰে বাহিৰলৈ চালে, এজনো চিনাকি মানুহ নাই। নিৰাশ মনেৰে বহি পৰিল। বেগৰ পৰা আলোচনী এখন উলিয়াই তাত চকু ফুৰাব ধৰিলে।

"গৈয়েই চিঠি দিবা"- মাতষাৰ শুনি বন্দনাই মূৰ তুলি চালে। এজন মানুহে ডেকা এজনক ডবাত তুলি দিছে। ডেকাজনে মূৰটো জোকাৰি সন্মতি জনাইছে। হাতত এটা লাগেজ লৈ ডেকাজনে বন্দনাৰ মুখামুখিকৈ বহিল । লাগেজটো কাষত লৈ ৰুমালেৰে মুখখন মচি ললে। চান গ্লাচযোৰ লাগেজত ভৰাই থৈ আলোচনী এখন উলিয়াই লৈ পঢ়াত ব্যস্ত হৈ পৰিল। বন্দনাৰ প্ৰতি তেওঁ সামান্যতমো দৃষ্টি নিদিলে। ইতিমধ্যে ট্ৰেইনখন দ্ৰুতগতিত আগবাঢ়ি গৈছে। বন্দনাই অলপ ভালদৰে বহি লৈ আলোচনীখনত চকু ফুৰাই গল যদিও মনটো ডেকাজনৰ প্ৰতিহে আকৰ্ষিত হৈ ৰ'ল। মনে মনে ভাবিলে ঈশ্বৰে তাইৰ প্ৰতি কৃপাৰ দৃষ্টিৰে চাইছে। সহযাত্ৰী এজন গোটাই দিছে। সিও ডেকা তাৰোপৰি হেণ্ডছাম। তাইৰ মনটো ভাল লাগি গ'ল। এবাৰ ডেকাজনৰ পিনে চাওতে দেখিলে ডেকাজনে তাইৰ পিনে চাই আছে। তাই তৎক্ষণাত চকুটো আতৰাই আনি আলোচনীৰ পাতত নিবন্ধ কৰিলে।

ইমান ভেম নে তাৰ? অকলশৰে এটা ডবাত যাত্ৰা কৰি আছে, অথচ অকলে থকা এজনী মহিলাক মাত এষাৰ দিব নোৱাৰে। বন্দনাৰ মনে মনে খং উঠি গল। তাই ভাবিলে প্ৰথমতে এবাৰ নিজে মাত লগাই চাব নেকি? নাই কিয় মাতিব? সামান্য ডেকা এজনক উপযাচি মাতি সৰু হব কিয়? তইৰো এটা প্ৰেষ্টিজ বোলা বস্তু আছে। সেইটোতো এতিয়াও হেৰাই যোৱা নাই। তাৰ যদি ভেম আছে , তাইৰো নাই নেকি? বন্দনাই প্ৰথম মাত নলগায় বুলি দৃঢ় সংকল্প ললে। বন্দনাই কৃত্ৰিম কাঁহ এটা মাৰি আউজি আৰামেৰে বহি ললে। ল'ৰা জনৰ পিনে বন্দনাই এবাৰ চালে, লৰাজনেও চালে। চকুৰে চকু পৰাত ল'ৰাজনে হাঁহি দিলে। মুখখন ঘুৰাই আনি ভাবিলে বন্দনাই দাতবোৰৰ কথা। এইবোৰ দাতনে মুকুতা? ইমান পৰিপাটি! ইমান বগা । ল'ৰাজন পঢ়াত ব্যস্ত । এইবাৰ তাই তেওঁক ভালদৰে চোৱাৰ মানসেৰে কেৰাহিকৈ চালে। নয়নযোৰ যেন নয়ন নহয় পদুম এপাহত দুটোপাল নিয়ৰ। চেলাউৰি যেন ঘন কলা। হাতলৈ চকু যোৱাত ভাব হ'ল সেইখন মানুহৰ হাত নে দেৱতাৰ হাত? ইমান সুন্দৰ! তাই ভাবিলে ঈশ্বৰে ডেকাজনক বনাও বুলিয়েই বনাইছে। কিন্তু মাত টো? মাতটোতো এবাৰো শুনা নাই , নে বোবা কথা কব নোৱাৰে? ধেৎ এইহেন এজন ডেকা কেতিয়াও বোবা হ'ব নোৱাৰে। ঈশ্বৰ ইমান নিষ্ঠুৰ হ'ব নোৱাৰে। মাতটো নিশ্চয় কুলি সুৰীয়া হ'ব। "আপুনি কলৈ যাব?" ল'ৰাজনে সুধিলে। "মোক কৈছে?" বন্দনাই থতমত খাই সুধিলে। "ইয়াত যিহেতু আপোনাৰ আৰু মোৰ বাহিৰে তৃতীয় ব্যক্তি নাই, গতিকে কাক সুধিব পাৰো?" কথাষাৰ কৈ ল'ৰাজনে হাঁহি দিলে।

"মই হাফলংলৈ যাম। তাত মোৰ বান্ধৱী এগৰাকী আছে, আৰু আপুনি?" বন্দনাই ক'লে। "ময়ো একে পথৰে পথিক । কিন্তু আপোনাৰ দৰে মোৰ যাত্ৰা ইমান দীঘলীয়া নহয়। মই ফৰকাটিংত নামিম। তাত মোৰ ঘৰ। ডিমাপুৰত মামাহঁতৰ ঘৰত থাকি চাকৰি কৰি আছো।" হঠাৎ বন্দনাই কলে - "যদি বেয়া নাপায় এষাৰ কথা সোধো?" ল'ৰাজনে তপৰাই মাত লগালে-"যদি বেয়া নাপায় ময়ে প্ৰথমে আপোনাক এটা কথা সোধো?" "সোধোক" - আচৰিত হৈ বন্দনাই

ক'লে।

"মই আপোনাক আপুনি বুলি সম্বোধন নকৰি তুমি বুলি কলে বেয়া পাবা নেকি?" বন্দনাই কলে- "যিহেতু আপুনি মোতকৈ বয়সত ডাঙৰ, আৰু চাকৰিও কৰে গতিকে তুমি বুলি মাতিলে মোৰ কোনো আপত্তি নাই।" ল'ৰাজনৰ কথা কোৱাৰ ভাও দেখি বন্দনাৰ তেজৰ স্ৰোত তীব্ৰতৰ হ'ল। ভাবিলে ল'ৰাজনে ইমান কম সময়তে ইমান সান্নিধ্যলৈ আহিব পাৰে।

"তুমি কিবা কব খুজিছিলা?" কথাষাৰ শুনি বন্দনাই কওঁ নকওঁকৈ কলে-"মানে আপোনাৰ নামটো জনাৰ আগ্ৰহ হৈছে"। "মোৰ নাম উদয় বৰা।" বিনা দ্বিধাই উদয়ে নামটো কৈ দিলে।
"উদয় বৰা বৰ বঢ়িয়া নাম" দুয়ো একেলগে হাঁহি দিলে। হাঁহি হাঁহি উদয়ে কলে- "তুমি কিন্তু তোমাৰ নামটো এতিয়াও কোৱা নাই।" বন্দনাই লাজ পালে যদিও নিজকে সংযত কৰি কলে - "মোৰ নাম বন্দনা বৰা।" "আপোনাৰ নামটো কিন্তু মোৰ নামতকৈ বেছি শুৱলা।" দুয়ো হাঁহি দিলে।

হাঁহি হাঁহি বন্দনাই বেগৰ পৰা দুটা সুমথিৰা টেঙা উলিয়াই এটা উদয়ক দিলে আৰু এটা নিজৰ কাৰণে ৰাখিলে। সুমথিৰা খাই খাই উদয়ৰ মুখলৈ চাই বন্দনাই কলে- "উদয় আপোনাক এষাৰ সুধিব নলগা কথা সোধো বেয়া নেপাব"। উদয় আচৰিত হ'ল যদিও সহজ ভাবে কলে -"কোৱা বেয়া নাপাও"। সহাৰি পাই বন্দনাই আবেগিক স্বৰেৰে কলে- "এনেদৰে অকলসৰে আপোনাক জানো কাহানিবা পুনৰ লগ পাম? "জীয়াই থাকিলে নিশ্চয় পাবা"। উদয়ৰ উত্তৰ। কথাৰ প্ৰসংগ সলনি নকৰি বন্দনাই কৈ গল "যিটো মূহৰ্ত্তত মনৰ নিভৃত কোণত হেচি ৰখা বেদনা, আশা, ভৱিষ্যতৰ কথাবোৰ বিনাদ্বিধাই নিঃসংকোচে আপোনাৰ আগত অকনো লুকঢাক নকৰাকৈ প্ৰকাশ কৰিব পাৰিম, পামনে কাহানিবা আপোনাক লগ?" এইবোৰ কি কৈছা বন্দনা? "মই বৰ অকলশৰীয়া উদয়! মোক এজন সহযাত্ৰী লাগে।"

উদয়ে কওঁ নকওঁকৈ কলে - "মই যে আন কাৰোবাৰ সহযাত্ৰী, আৰু দুমাহ পিছতে মোৰ বিয়া"। শিৱসাগৰৰ ছোৱালী এজনীৰ লগত। -কি???

বন্দনাৰ মুৰত যেন কোনোবাই প্ৰকাণ্ড হাতুৰীৰে এটা প্ৰচণ্ড কোব সোধাই দিলে। ট্ৰেইনখন ষ্টেচন এটাত ৰৈ যোৱাত বন্দনাই হঠাৎ সাৰ পাই উঠিল। তাই হুৰ মুৰকৈ উঠি বহিল। ৰুমালেৰে মুখখন আলফুলকৈ মোচি ললে। ল'ৰাজনে লাগেজটো হাততলৈ মিচিকিয়া হাঁহিৰে বন্দনাৰ হাতত এখিলা কাগজ দি ডবাটোৰ পৰা নামি গ'ল। যাওঁতে বন্দনাৰ পিনে চাই হাত জোঁকাৰি বিদায় সম্ভাষণ জনালে।

ঘটনাটো ইমান সোনকালে ঘটি গল যে বন্দনাই ভেবা লাগি ছাই ৰ'ল। ভাবিলে সপোনটো সঁচা নেকি? তাই খৰধৰকৈ কাগজ খিলা লৈ চাই পঢ়িব ধৰিলে।

অচিনাকী সহযাত্ৰী,

তোমাক এষাৰ কথা কওঁ কওঁকৈ থাকোতেই তোমাৰ টোপনি আহিল। সেয়ে নজগালোঁ। কথাটো হ'ল তোমাৰ যাত্ৰাটো বিৰক্তিকৰ কৰি তোলাৰ বাবে ক্ষমা কৰিবা। তোমাৰ সতে কথা পাতিব নোৱাৰিলোঁ। কাৰণ মই কথা কব নোৱাৰো, বোবা। তোমাৰ যাত্ৰা শুভ হওঁক।

এজন দুৰ্ভগীয়া সহযাত্ৰীৰ চিঠিখন পঢ়ি উঠি বন্দনাই এটি হুমুনিয়াহ পেলালে। সূৰ্য্যটোৱে চালে দিগন্তত মিলি গৈছে, আকাশখন তেজ ৰঙা হৈ পৰিছে। ট্ৰেইনখনো দ্ৰুত গতিত আগবাঢ়ি গৈছে।।







## সময়ৰ জ্ঞান



মুক্তাদিৰ ৰহমান
স্নাতক ১ম বৰ্ষ (কলা শাখাৰ)

আজি নহয় কালি, কালি নহয় পৰহি,
পৰহি আৰু নাহে ঘূৰি,
সময় যে এনে অমূল্য সম্পদ
যাক ৰাখিব নোৱাৰি ধৰি।
সময় যে এনে সোন গ'লে এবাৰ,
ধনৰ বিনিময়তো নাপাই দুনাই।
একা বেকা বাটেৰে সময়ৰ সোঁত বয়
সময়ক কৰিব লাগিব জয়।।
ধন হেৰালেও আৰ্জিব পাৰি পুনৰ
সময় হেৰালে পাবলৈ নাই,
সময়ক যদি কৰা অপব্যয়
তেন্তে জানিবা জীৱন বৃথায়।।
সময়ৰ সতে যদি খোজ মিলাই যোৱা
তেন্তে তুমি জীৱনত কৃতকাৰ্য্য হবা।
তেনেহ'লে বাৰু কিয় পলম কৰা?
হাতে কামে লাগিযোৱা আজিৰে পৰা।।

## *আমাক* 'বিজয় দিয়া'



ঔৰি অহা নিকা পানীৰ কণিকাবোৰ
জোঙা পাতত পৰি টোপে টোপে নিগৰে
মাটিৰ পৃথিৱীৰ অচিন বুকুত।
তুমি শোহিব লাগিব 'ইয়াক'
অধ্যয়ন, কৌশল আৰু সাধনাৰে
সুখময় এটি জীৱনৰ আখৰা পতা।
বিদায়ী হোৱা মুকুতাৰ মালা পিন্ধি — বেজাৰেৰে নহয়
পৱিত্ৰতাৰে জীৱন গঢ়া — প্ৰদূষণেৰে নহয়
নৱজ্যোতিৰ এই শ্ৰদ্ধাঞ্জলি লোৱা ——
বিপৰীতে আমাক 'বিজয় দিয়া'
*(নৱাগত সকলৰ বাবে)*
**সম্পাদক**



আলোচনীখন প্ৰকাশ কৰিবলৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাবে যি সকলৰ পৰা পৰামৰ্শ আৰু সহযোগিতা পাইছো সংশ্লিষ্ট সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
সম্পাদক

# কাপোৰৰ ভোজ

ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ নাম নুশুনা মানুহ হয়তো নোলাব। তেখেতৰ জন্ম হৈছিল পশ্চিমবঙ্গত আৰু বসবাস কৰিছিল কলিকতা চহৰত।

কলিকতা চহৰত এবাৰ এজন কাপোৰৰ দোকানীয়ে ভোজ মেল পাতিছিল। তেওঁ বিদ্যাসাগৰক সেই মেলত মুখ্য অতিথি ৰূপে মাতিছিল। নিৰ্দিষ্ট দিনত দোকানীজনৰ ঘৰত মেল আৰম্ভ হৈছিল। ৰখীয়া ৰাখি দুৱাৰ মুখত থৈ দোকানী জনে অতিথিক আপ্যায়ন কৰিছিল। এনেতে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বগা ধূতী আৰু সাধাৰণ পাঞ্জাৱী পিন্ধি দুৱাৰ মুখত থিয় হৈছিল। তেতিয়া ৰখীয়াই ভাবিছিল যে দুখীয়া ব্ৰাহ্মণে খোৱাৰ আশাত ভিতৰলৈ সোমাব খুজিছে। তাত তেখেতক চিনি পোৱা মানুহ কোনো নাছিল। দোকানীজনে ভাবিলে যে বিদ্যাসাগৰতো তেনে মানুহ নহয়! কাৰণ তেওঁ কেতিয়াওঁ এনে কৰা নাই। ইতিমধ্যে বিদ্যাসাগৰে ঘৰ মুখে ৰাওনা হৈছে।

সেয়ে দোকানীজনে তাৰ লৰাটোক বিদ্যাসাগৰক মাতি আনিবলৈ পঠালে। বিদ্যাসাগৰে ভাল পোছাক পিন্ধি আহি ভোজ মেলত উপস্থিত হ'ল। সেই সময়ত ৰখীয়াজনে অনায়াসে তাক ভিতৰত প্ৰৱেশ কৰিব দিলে। দোকানীজনে আদৰ সাদৰ কৰি নানা খোৱা বস্তু তাক খাবলৈ দিলে। তেতিয়া বিদ্যাসাগৰে সেইবোৰ খোৱা বস্তু কাপোৰত ঘঁহি ঘঁহি কবলৈ ধৰিলে যে খোৱা আৰু গৃহস্তক আশীৰ্বাদ দিয়া। সভাসদ সকলে একো বুজিব নোৱাৰিলে। এনে কাৰ্য কলাপ দেখি দোকানীজনে বিনয়ী ভাবে কলে মহাশয় কিয় এনে কৰিছে ? তেতিয়া বিদ্যাসাগৰে প্ৰথমে অলপ বেয়া পোছাক পিন্ধি আহি লাজ পাই উভতি যাব লগা হোৱা বুলি কলে, লগতে কলে যে সেয়ে এই ভোজনৰ গৰাকী মই নহয়, মোৰ এই পোছাক যোৰহে। সেয়েহে মই খোৱা বস্তুবোৰ কাপোৰক খুৱাইছোঁ। বেচেৰা দোকানীজনে লাজতে তলমুৰ কৰিলে আৰু অনুতপ্ত হ'ল, কিয় মই দুৱাৰ মুখত থাকি অতিথিক আপ্যায়ন নকৰিলো? শেষত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ ওচৰত ক্ষমা খুজিলে।

"ব্যক্তিৰ পৰিচয় পোছাকত নহয়"।

সংগ্ৰহঃ

মোঃ ইকবাল ফৰিদ
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)



নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## এজাক শব্দৰ অকবিতা

মুকুল হুছাইন
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)

প্ৰতিক্ষাৰ অনু কণাবোৰ ভেদ কৰি
অনুভূতিবোৰ চলাথ কৰিছিল চোতালৰ
মিঠা ৰ'দ জাকে..........
সুৰ্মা সনা মাকৌ চকুৰ নীলা আকাশ
আৰু মৌন দুৰ্বোধ্য সাঁথৰ বোৰ........
সংগোপনে হৃদয় নামৰ যন্ত্ৰটোত
আঘাত হনা পাপৰিবোৰ ঘুৰি ফুৰিছিল
হয়তো, তেতিয়া আকাশৰ এজাক
উশৃংখল ডাৱৰে মেলি দিছিল তাৰ
দুৰন্ত দুহাত..............
এতিয়া,
মই একোটা বিন্দুত সাম্য হৈ
দেখিছো জীৱনৰ ধূসৰ সপোন
অন্তিম বিন্দুটো হয়তো তাত নাই।
মই উপলব্ধি কৰিছো,
শুৱলা মসৃণ শব্দবোৰ
সিঁচৰিত হৈ থকা অসংযত অকবিতাবোৰৰ
সমষ্টিয়েই হয়তো কবিতা।
যাৰ কেচা তেজৰ গোন্ধ আৰু
বাউল লগোৱা চুলিৰ সুভাযে
মোক আজি আমণি কৰে।

## সাগৰ তুমি মোৰ ভাল পোৱা

মাছুমা জান্নাতুল হাছিনা
স্নাতক প্ৰথম বৰ্ষ
(বিজ্ঞান শাখা)

তোমাৰ হৃদয়ত
মোৰ সপোনবোৰ অংকুৰিত হয়,
অঘৰী কল্পনাবোৰে
বাস্তৱৰ ভিত্তি বিচাৰে।
তোমাৰ অন্তৰত
মোৰ সীমাক নিশ্চিত কৰো।
তুমি মোক নহয়,
অথচ নিৰ্বাক;
তথাপি মই শুনো
তোমাৰ উদভ্ৰান্ত উৰ্মিমালাত,
অস্থিৰ উন্মাদনাত,
মোৰ সত্বাক বিলিন কৰি দিয়াৰ আহ্বান।
মই নাজানো কিহৰ এই উন্মাদনা!
কিনো ইয়াৰ নিজস্বতা !!
কিন্তু মই অনুভৱ কৰো,
তুমি মোৰ ভালপোৱাৰ সজীৱতা।
নাজানো তোমাৰ বিশালতাত
কিমান মোৰ অস্থিত্বৰ গভীৰতা,
তথাপি তুমি মোৰ ভালপোৱা।।

আলোচনী সম্পাদকৰ সীমিত জ্ঞানৰ অভিজ্ঞতা লগতে অজ্ঞতাৰ বাবে থাকি যোৱা ভূলৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে.........

সম্পাদক

# দ্ৰোহকালৰ ছবি

✍ চৈয়দ কাইয়ুম কবীৰ
মুৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান

**(গল্পৰ চৰিত্ৰ সমূহ আক্ষৰিক অৰ্থতেই কাল্পনিক। বাস্তৱৰ কোনো ব্যক্তিৰ লগত চৰিত্ৰ সমূহৰ মিল নাই। বাস্তৱৰ কোনো ব্যক্তিৰ লগত চৰিত্ৰ সমূহৰ সাদৃশ্য থাকিলেও সেয়া কাকতালীয় সংযোগহে)**

## অম্লান দত্ত

মই অম্লান দত্ত। বৰ্ত্তমান এই নামেৰেই মোৰ সংগঠন আৰু সংগঠনৰ বাহিৰত মই জনাজাত। ১৬ বছৰীয়া মোৰ এই বিপ্লৱী জীৱনছোৱাত মই বহু নাম ল'লো। ব্ৰহ্মদেশ সীমান্তৰ কাচিনৰ প্ৰশিক্ষণ শিবিৰত মোৰ নাম আছিল ৰক্তিম ফুকন। আফগানিস্থানৰ কান্দাহাৰৰ হিজবুল মুজাহিদীনৰ শিবিৰত মোৰ নাম আছিল ময়েজুদ্দিন কাব্বানী। চিংগাপুৰৰ বিস্ফোৰক সামগ্ৰীৰ প্ৰস্তুতিৰ প্ৰশিক্ষণ কালছোৱাত মোৰ নাম আছিল কিম্ লিছান্। মুঠতে নামৰ এখন দীঘলিয়া তালিকা হ'ব। মোৰ প্ৰকৃত নাম অৰ্থ্যাৎ মোৰ পিতৃদত্ত নাম দিগন্ত কলিতা মোৰ বাবে এতিয়া এক ধূসৰ স্মৃতি। অকল মোৰ এই নামটোৱেই নহয়, এৰি অহা অতীতৰ বহু স্মৃতি বিজড়িত মূহুৰ্ত্ত ইচ্ছা কৰিয়েই মোৰ মনৰ পৰা মচি পেলাইছো। স্মৃতিকাতৰতাই মানুহক মানসিক ভাবে দুৰ্ব্বল কৰে। বিশেষকৈ মোৰ দৰে এক বিপদ সংকুল পথ বাছি লোৱা বিপ্লৱী এজনৰ বাবে নষ্টালজিয়াৰ দৰে ৰোমান্টিক বিলাসিতাই শোভা নাপায়। তথাপি আজি এই মূহুৰ্ত্তত বেঁকী নদীৰ পাৰৰ আচহুৱা পৰিবেশত এটি নিঃস্ব পৰিয়ালত আত্মগোপন কৰি কৰ্মহীন হৈ কটোৱা বাবে মোৰ এই অহা অতীতলৈ পুনৰ উভতি যাবৰ মন গৈছে।

ক'ৰ পৰা যে আৰম্ভ কৰিম ভাবিব পৰা নাই। তথাপি নিহত অতীতৰ পুনৰ নিৰ্মাণৰ বাবে মই মোৰ ১৬ বছৰীয়া বিপদ সংকুল জীৱন চোৰাৰ কিছুদূৰ পিছুৱাই যাব লাগিব।

নলবাৰী জিলাৰ এখন ভিতৰুৱা অথচ ঐতিহ্যমণ্ডিত গাওঁত মোৰ জন্ম। হাইস্কুলৰ শিক্ষক মোৰ দেউতা আৰু সহজ সৰল গৃহিনী মাৰ মই প্ৰথম সন্তান। মোৰ তলত ভনী এজনী। এটি সৰু অথচ সুখী পৰিয়াল। পঢ়াশুনাত মই সিমান বেয়া নাছিলো। শিক্ষক দেউতাৰ পৰা মই বহিৰ্জগতখনক নতুনকৈ চোৱাৰ সুযোগ পাইছিলো। দেউতাই পঢ়িবলৈ দিয়া বাহিৰা কিতাপবোৰৰ জড়িয়তে। এক স্বচ্ছ জীৱনবোধ আৰু সুসংস্কৃত মনৰ অধিকাৰী হ'বলৈ দেউতাই মোক প্ৰতিনিয়ত উদ্বুদ্ধ কৰি আহিছিল। মই যেতিয়া হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ, তেতিয়া অসমৰ আকাশে বতাহে, গাওঁে ভূঞে, নগৰে চহৰে তথাকথিত অসম আন্দোলনৰ কোবাল বতাহ। সেই বতাহে আমাৰ গাওঁ খনকো চুই গৈছিল। গাওঁৰ খেতি বাতি কৰি জীৱন ধাৰণ কৰা সহজ সৰল মানুহ বোৰৰ চকুৱে মুখে এক অচিনাকী ক্ষোভ আৰু উত্তেজনা। অসমৰ অস্তিত্ব আজি বিপন্ন, বাতৰি কাগজত আন্দোলনৰ নেতাৰ বিবৃতি- মানুহৰ মুখে মুখে বাগৰি গৈছে অসমত থকা মুঠ বিদেশীৰ পৰিসংখ্যা। দেশ ৰক্ষাৰ বাবে সকলোৱে ৰাজপথলৈ ওলাই আহিব লাগে। মইও সেই বয়সত সেই আন্দোলনত জপিয়াই পৰিলো। এনেতে মোৰ গাওঁ খনত এটা ডাঙৰ ঘটনা ঘটিল। যিটো ঘটনাৰ লগত মইও জড়িত হৈ পৰিছিলো। মোৰ গাওঁ খনৰ পৰা অলপ দূৰৈৰ অইন এখন গাওঁৰ বাসিন্দা এজন যুৱক এটা সৰ্বভাৰতীয় কমিউনিষ্ট দলৰ সমৰ্থক। নিজৰ ৰাজনৈতিক আদৰ্শৰ বাবেই হয়তো ল'ৰাজনে আমাৰ এই আন্দোলনক বিৰোধীতা কৰিছিল। সেই সময়ৰ অসমৰ য'তে ত'তে আন্দোলন বিৰোধী সকলৰ ওপৰত এক প্ৰৰোচিত শাৰীৰিক নিৰ্য্যাতন চলিছিল। গতিকে চাৰিওফালৰ গাওঁৰ উত্তেজিত





মানুহ মখাই এদিন দিনদুপৰীয়া সেই যুৱক জনক বৰ বেয়া ধৰণে মাৰধৰ কৰিলে। ল'ৰাজনৰ মৃত প্ৰায় অৱস্থা। শৰীৰৰ বিভিন্ন অংশৰ পৰা ৰক্তপাত হৈ গাওঁখনৰ সংঘ এটাৰ চোতালত পৰি আছে। ল'ৰাজনৰ যিটো অৱস্থা সি হয়তো এনেয়ে অলপ পিছতেই মৰিলহেঁতেন । কিন্তু গাওঁৰ মানুহখিনিয়ে ভীষণ ভয় খালে, যদি পুলিচ, মিলিটাৰী আহি পায় আৰু যুৱকজনক সুস্থ কৰি তোলে তেনেহলে সি হয়তো গাওঁৰ মানুহবোৰৰ নামবোৰ কৈ দিব। ফলত গাওঁ কেইখনলৈ নামি আহিব পুলিচ, মিলিটাৰীৰ নিৰ্য্যাতন। ৰাইজৰ মতে ল'ৰাজনক সম্পূৰ্ণকৈ মাৰি পেলাব লাগিছিল। পিছত কৰবাত পুতি থব পৰা গল'হেতেন কিন্তু বহু সময় পিছত মৃতপ্ৰায় হৈ পৰি থকা ল'ৰাজনক কোনেও শেষ কৰি মাৰিবলৈ সাহস নকৰিলে। গাওঁখনৰ জীয়ৰি বোৱাৰী, বুঢ়া মেথা সকল ভয়, আতংকত পেঁপুৱা লাগিল। এনে এটা পৰিস্থিতিত মই অকলে এটা সাহসী সিদ্ধান্ত ললো। শৰীৰৰ তেজত তেতিয়া আছিল এক দেশপ্ৰেমৰ তগবগনি। গাওঁখনৰ সকলোৰে মংগলৰ কাৰণে মই সেই ১৬ বছৰীয়া লৰাজনে অকলেই কোবাই কোবাই মৃতপ্ৰায় যুৱকজনৰ সম্পূৰ্ণ মৃত্যু ঘটালো। গাওঁৰ ৰাইজে মোক সেইদিনা বীৰৰ দৰে সন্মান জনালে।

তাৰ দুবছৰ পিছত মই সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰি গুৱাহাটীৰ কলেজ এখনত নাম লগালো। কলেজৰ ছাত্ৰাবাস এটাত থাকিবলৈ ললো। সেই যে দুবছৰ আগেয়ে আবেগৰ বশৱৰ্ত্তী হৈ মই লৰা এজনক ৰাইজৰ হৈ মাৰি পেলাইছিলো তাৰ পৰা মোৰ মন অনুতপ্ত হব ধৰিছিল আৰু সেয়াই ক্ৰমে এক অপৰাধ বোধৰ সৃষ্টি কৰি মোৰ মনটো ভিতৰৰ পৰা যেন কিহবাই খুলি খুলি খাব ধৰিলে। পঢ়া শুনাত মন নবহা হ'ল, ক্লাচলৈ নোযোৱা হ'লো। অনবৰত হোষ্টেলৰ নিজৰ কোঠালীত সোমাই থাকো। চকু মুদিলেই ভাহি আহে ২ বছৰ আগতেই ৰাইজৰ প্ৰহাৰত মৃত্যু হোৱা কমিউনিষ্ট যুৱকজনৰ মুখ। মোৰ মনৰ এই অস্থিৰ অৱস্থাতো বহু দিনৰ পৰা লক্ষ্য কৰি আছিল মোৰ লগত একে কোঠালীতে থকা মোতকৈ জেষ্ঠ বিজয়দাই। বিজয়দা অৰ্থ্যাৎ বিজয় দত্তৰ ঘৰ শিৱসাগৰত। তেওঁ আছিল তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। বিজয়দাৰ পঢ়াশুনা, ক্লাচ আদি প্ৰায়েই নকৰে। হঠাৎ কেতিয়াবা হোষ্টেলৰ পৰা নোহোৱা হয় আৰু কেইদিনমান পিছত এক বিচিত্ৰ বেশভূষাৰে পুনৰ আবিৰ্ভাব হয়। সকলৰে চকুত বিজয়দা যেন এক ৰহস্যময় সাথঁৰ। সেই বিজয়দাই এদিন নিশা হোষ্টেলৰ বাৰান্দাত মোক বহুৱাই লৈ মোৰ মনৰ অশান্তিৰ বিষয়ে জানিব বিচাৰিলে। প্ৰথমে মই ভয় খাই একো নকবলৈ থিক কৰিছিলো যদিও বিজয়দাই মনত সাহস দিয়াত বিজয়দাৰ হাত এখন খামুচি ধৰি আন্দোলনৰ সময়ৰ মোৰ জীৱনৰ সেই বিভিষীকাময় ঘটনাটো অকনো হীন-ডেঢ়ি নকৰাকৈ বিজয়দাক বৰ্ণনা কৰিলো । মনৰ ভিতৰত বন্ধ হৈ থকা কথাবোৰ বিজয়দাৰ সন্মুখত উগাৰি দি মই বহুখিনি শান্তি লাভ কৰিলো। বিজয়দাৰ ওচৰতো মই এক সহজ আত্মীয়তাৰ উপলব্ধি হ'ল। মোৰ কথাবোৰ শুনি বিজয়দাই একো আচৰিত নহ'ল। মাথো অলপ ডাঙৰকৈ হাঁহিলে। বিজয়দাই আচলতে হেনো মোৰ দৰে ল'ৰা এজনৰ সন্ধানত আছিল বহুদিনৰ পৰা। মোৰ দৰে ল'ৰা এজনৰ তেওঁৰ খুবেই প্ৰয়োজন। অহাকালি ৰাতিপুৱা বিজয়দাই হেনো মোক এঠাইলৈ লৈ যাব। সি বি নহওঁক মোৰ-মনটো বৰ পাতল লাগিছিল। সেই নিশা মোৰ ভাল টোপনিও হৈছিল। পিছদিনা ৰাতিপুৱা বিজয়দাই গুৱাহাটীৰ এঠাইলৈ ফুৰিবলৈ যাম বুলি কৈ মোক হোষ্টেলৰ পৰা উলিয়াই লৈ গ'ল। সেই যে সিদিনা বিজয়দাৰ লগত হোষ্টেলৰ গেট পাৰ হৈ বাহিৰৰ প্ৰথম খোজটো পেলালো সেই খোজটোৱে মোৰ বৰ্ত্তমান বিপদ সংকুল জীৱন পথৰ প্ৰথম খোজ আছিল। হয়, মোৰ ৰুমমেট বিজয়দা প্ৰকৃততে আছিল এটা সহস্ৰ সংগঠনৰ সদস্য যাৰ উদ্দেশ্য আছিল অসমক পৰাধীনতাৰ পৰা মুক্ত কৰা। বিজয়দাই সেইদিনা মোক গুৱাহাটীৰ এক গোপন স্থানত লগ কৰাই দিলে তেওঁলোকৰ সংগঠনৰ বহুকেইজন উচ্চ পৰ্য্যায়ৰ নেতাৰ লগত। গভীৰ আত্মবিশ্বাসেৰে দীপ্ত তেওঁলোকৰ কথা-বতৰাবোৰৰ পৰা মই ভিতৰি ভিতৰি কব নোৱাৰাকৈয়ে প্ৰভাৱিত হব ধৰিলো। তেওঁলোকে মোৰ লগত বহু সময় কথা-বতৰা পাতিলে । কথাই কথাই তেওঁলোকে ক'লে পৰাধীন অসমৰ কথা আৰু কলে ১৮২৬ খৃঃৰ আগৰ স্বাধীন অসমৰ কথা যি কাহানিও মূলভাৰতৰ অংগ ৰাজ্য নাছিল। আন এজনে ক'লে ভাৰতীয় মূলসুতিৰ মহাকাব্য ৰামায়ণত অসম সম্পৰ্কে কৰা অপমানজনক মন্তব্য - "তস্মিন বসতি দুষ্টাত্মা নৰক নাম দানৱ" তেওঁলোকৰ মতে ভাৰত ৰাষ্ট্ৰৰ ঔপনিবেশিক শাসনৰ পৰা অসমক স্বাধীন কৰিবলৈ কঠোৰ সংগ্ৰামৰ বিকল্প নাই।

অহিংস পন্থাৰে সশস্ত্ৰ ভাৰতৰাষ্ট্ৰৰ পৰা স্বাধীনতা ভিক্ষা কৰি পাব নোৱাৰি। প্ৰতিপক্ষৰ চৰিত্ৰ অনুসাৰে এই সংগ্ৰাম সশস্ত্ৰ হ'বলৈ বাধ্য। কিয়নো বন্দুকৰ নলেৰেহে ক্ষমতা আহে। লাহে লাহে তেওঁলোকৰ আবেগিক কথাবোৰত উদ্বুদ্ধ হৈ ভিতৰি ভিতৰি মই তেওঁলোকৰ লগত লগ হবলৈ সংকল্পবদ্ধ হ'লো। আৰু এদিন এনেদৰে মই নিজৰ ঘৰখন, মা দেউতা, মৰমৰ ভনীজনী, কলেজ হোষ্টেলৰ অসংখ্য বন্ধু, ফিজিক কেমেষ্ট্ৰিৰ কিতাপবোৰ, সকলো ত্যাগ কৰি বিজয়দাইঁতৰ সংগঠনত যোগ দিলো। "মোৰ আই নাই, পিতা নাই আৰু নাই কোনো পাৰিবাৰিক বান্ধোন। আজিৰ পৰা মই অসম জননীৰ সন্তান। অসম দেশৰ মুক্তিৰ হকে প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিবলৈ মই প্ৰস্তুত।" সংগঠনৰ সদস্য হিচাবে এয়া আছিল মোৰ শপত পাঠ।

## সুবিমল হাজৰিকা

যোৱা ৰাতিয়েই শুনিলো সেই খবৰ । সশস্ত্ৰ সংগঠনটোৰ দুৰ্ঘৰ্ষ সদস্য অম্লান দত্ত ৬ জনীয়া দল এটাৰ নেতৃত্ব দি ভাৰত ভূটান সীমান্তত থকা ২১ নং মাউন্টেন ডিভিজনৰ ভাৰতীয় সৈন্যৰ চকুত ধুলি মাৰি ভাৰত ভূটান সীমান্তৰ চানদ্ৰুপ জাংখাৰৰ মাজেদি, কাটাপানী হৈ এক গোপন পথেৰে অসমত প্ৰৱেশ কৰিছে। উত্তৰ কামৰূপৰ সীমান্তৰ গাওঁ কেইখনত থকা মোৰ স্থানীয় ইন্নফৰ্মাৰৰ পৰা মই সেই খবৰ পালো। বহুদিনৰ পৰা আমাৰ পুলিচ ডিপাৰ্টমেন্ট তথা ভাৰতীয় সৈন্য বাহিনীয়ে উগ্ৰপন্থি সংগঠনৰ দুধৰ্ষ সদস্য অম্লান দত্তক বিচাৰি আছে। পুলিচ আৰু মিলিটাৰীৰ বিৰুদ্ধে কৰা অতীতৰ বহু সফল এম্বুচৰ নেতৃত্ব দিয়া অম্লান দত্তই কমেও দুই ডজন খুন, তিনিটা বেংক ডকাইতি, বহুকেইটা সফল কিদনেপিংৰ দ্বাৰা ধন সংগ্ৰহ কৰাৰ উপৰিও ভাৰতীয় সৈন্য বাহিনীৰ এজন কৰ্নেল সহ ৬ খন সামৰিক ট্ৰাকৰ এক বিশাল কনভয় ধ্বংস কৰিছে । মৃত্যুলৈ বেপেৰোৱা, দুৰ্দান্ত সাহসী আৰু প্ৰখৰ বুদ্ধিমত্তাৰ অধিকাৰী এই অম্লান দত্ত। জীৱিত অথবা মৃত অম্লান দত্তৰ শিৰৰ মূল্য পাঁচলাখ টকা।

এইবাৰ অম্লান দত্ত সাৰি যাব নোৱাৰিব। অলপ ৰিক্স লৈ হলেও ধৰিব লাগিব অম্লান দত্তক। অম্লান দত্তক ধৰিব পাৰিলে মোৰেই লাভ হ'ব সবাতোকৈ বেছি। জীৱিত বা মৃত অম্লান দত্তৰ শিৰৰ মূল্য পাঁচলাখ টকাটো আছেই আৰু আছে মোৰ বাবে এক লোভনীয় পদোন্নতি। আমাৰ আই, জি, পি জন মোৰ মিচেচৰ নিজা মোমায়েক। তেখেতে মোৰ মিচেচক জনাই দিছে ভাগীন জোৱায়ে যদি এটা হাৰ্ডকোৰ টেৰৰিষ্টক কৰায়ত্ব কৰিব পাৰে তেনেহলে লগে লগে পদোন্নতি হব আৰু তেতিয়া মই সুবিমল হাজৰিকাই কৰোণাৰে ধন চপাব পাৰিম। বৰ্তমান মোৰ বহু টকাৰ প্ৰয়োজন। মোৰ উচ্চাকাংক্ষী পত্নীৰ বহু আব্দাৰৰ প্ৰতি সহাৰি জনাবলৈ গৈ মই সুবিমল হাজৰিকা ভীষণ ধনলোভী হৈ পৰিছো। বহুদিনৰ পৰা মোৰ পত্নীয়ে খেচখেচাই আছে গুৱাহাটী চহৰৰ ভাল ঠাই এডোখৰত এটা বিলাসী ফ্লেট লোৱাৰ কথা; বজাৰত নতুনকৈ ওলোৱা ৬০ হেজাৰ টকীয়া ছ'নি টি.ভিৰ শেহতীয়া মডেলটো লব লাগে, হোটেল কুবেৰত আজি এমাহ ধৰি প্ৰতিষ্ঠিত হোৱা 'টানিস্ক'ৰ শ্বকমত উজলিওৱা আমেৰিকান ডায়মণ্ডৰ আশী হেজাৰ টকীয়া চেটটো লব লাগে, একমাত্ৰ পুত্ৰ ৰিছিৰ বাবে এটা মিলেনিয়াম পিচি কিনিব লাগে। গতিকে পত্নী পুত্ৰৰ ফৰমাইচ পূৰণ কৰিবলৈয়ে বৰ্ত্তমান মোক বহু টকাৰ প্ৰয়োজন।

বহু বুদ্ধি কৌশল খটুৱাই এজন ডি এচ পিৰ পৰা আজি মই এজন উচ্চপদস্ত পুলিচ বিষয়া। বহু যোগ্য বিষয়াক অতিক্ৰম কৰি মই আজি এই অৱস্থাত উপনীত হৈছো। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিশেষ শাখাৰ এন্টিটেৰৰিষ্ট চেলৰ অসমৰ মই কমাণ্ডিং অফিচাৰ। লণ্ডনৰ স্কটলেণ্ড ইয়াৰ্ডৰ পৰা মই দুবছৰ ধৰি প্ৰশিক্ষণ লৈ আহিছো। ডি এচ পি হৈ থাকোতে





এবাৰ গুৱাহাটী মহানগৰীত ৰাতি অকলশৰীয়া অৱস্থাত পাই এজন মদাহী যুৱকক হত্যা কৰি, এনকাউন্টাৰত মৰা সন্ত্ৰাসবাদী সজাই মই এটা পদোন্নতি পাইছিলো। তাৰ পিছত মই আৰু উভতি চোৱা নাই। সাফল্যৰ জখলাৰে মই ক্ৰমাত বগুৱাবাই আজিৰ এই অৱস্থা পাইছো। সেই বাবেই আজি পুলিচ ডিপাৰ্টমেন্টত মই সকলোৰে ঈৰ্ষাৰ পাত্ৰ।

এই মূহুৰ্ত্তত মই গুৱাহাটী এৰি বৰপেটালৈ যোৱাৰ প্ৰয়োজন । বৰপেটাৰ হেডকোৱৰ্টাৰত সেই খবৰ জনাব লাগিব। যিকোনো প্ৰকাৰেই হঁওক অম্লান দত্তক কৰায়ত্ব কৰিব লাগিব। মই বৰপেটালৈ যাবলৈ প্ৰায় সাজু।

## দীনবন্ধু শইকীয়া

মই দীনবন্ধু শইকীয়া নতুনকৈ জন্ম লোৱা দৈনিক বাতৰি কাকত "নতুন অসম"ৰ সম্পাদক। সাম্প্ৰতিক অসমত নতুনকৈঁ আৱিৰ্ভাব হোৱা সশস্ত্ৰ সংগঠনটোৰ সদস্য সকলে সংঘটিত কৰা অপাৰেছন, কাউন্টাৰ অপাৰেছন, হত্যা, আদি খবৰবোৰেই মোৰ বাতৰি কাকতৰ প্ৰধান উপজীৱ্য। যি কোনো বাতৰি এটা কি ধৰণে পৰিৱেশন কৰিলে সাধাৰণ মানুহৰ গ্ৰহনযোগ্য হব সেয়া মই ভালদৰে জানো। চকু-চৰহা বুদ্ধিজীৱি এমখাই মোক হালধীয়া সাংবাদিকতা কৰা বুলি কব খোজে। লোকৰ কথাত কাণ দিয়া মানুহ এই দীনবন্ধু শইকীয়া নহয়। সাম্প্ৰতিক অসমৰ সশস্ত্ৰ সংগঠনটোৱে সাংঘাতিক গণ সমৰ্থন পাইছে বিশেষকৈ অসমৰ মিডল ক্লাছটোৰ পৰা। আমি ভালদৰেই জানো, এয়া অন্ধ আবেগ বুলি। তথাপি এই আবেগক মূলধন কৰি কেইটামান টকা উপাৰ্জন কৰিব পাৰিলে কি মহাভাৰতখন অশুদ্ধ হব। সেয়েহে দুজনমান জাতীয়তাবাদী চিন্তাৰ আলমত লেখা মেলা কৰা ডেকা বুদ্ধিজীৱিক মই নিয়মিত নিৱন্ধকাৰ হিচাবে লৈছো। সেয়েহে মোৰ বাতৰি কাকত বৰ্ত্তমান জনপ্ৰিয়তাৰ শীৰ্ষত। সশস্ত্ৰ সংগঠনটোৰ দুধৰ্ষ সদস্য অম্লান দত্ত হেনো বৰপেটা জিলাৰ বেকী নৈ পৰীয়া সংখ্যালঘূ গাওঁ এখনত আত্মগোপন কৰি আছে। মই দুজন দক্ষ সাংবাদিকক বৰপেটালৈ পঠাই দিছো। এজন সাংবাদিকক পঠাইছো অম্লান দত্তৰ জন্মস্থান নলবাৰী জিলাৰ ভিতৰুৱা গাওঁ এখনলৈ। অম্লান দত্তৰ মাক দেউতাকৰ ফটো সহ এটা সাক্ষাৎকাৰ অহাকালিৰ সংখ্যাটোৰ প্ৰথম পৃষ্ঠাত আনিব পাৰিলে গোটেই খবৰটো সোণত সুৱগা চৰিব। সম্পাদকীয় পৃষ্ঠাৰ প্ৰৱন্ধৰ বাবে এজন নিৱন্ধকাৰ বুদ্ধিজীৱিক "অসমৰ সংখ্যালঘু জনগণ আৰু জাতীয় মুক্তি সংগ্ৰাম" ঠিক এনে ধৰণৰ এটা নিৱন্ধ অহাকালিৰ সংখ্যাৰ বাবে প্ৰস্তুত কৰিব দিছো। অহা সাতদিন মানলৈ মোৰ বাতৰি কাকত গৰম গৰম খবৰেৰে গমগমীয়া হৈ থাকিব। মোৰ কাকতৰ মালিক পক্ষই মোৰ বাবে গুৱাহাটীত এটা ফ্লেট কিনিব হেনো।

## হেলালুদ্দিন

মই হেলালুদ্দিন। অইনৰ মাটিত আধি খেতি কৰি জীৱন নিৰ্ব্বাহ কৰা এজন নিঃস্ব খেতিয়ক। বেঁকীৰ পাৰৰ এখন গাওঁত মোৰ ঘৰ। মই, মোৰ পৰিবাৰ আৰু আঠবছৰীয়া সন্তান পুতুৰে সৈতে আমাৰ তিনিজনীয়া সংসাৰ। মোৰ পৰিবাৰৰ আজি দুবছৰ ধৰি অসহ্য পেটৰ বিষ। ডাক্তৰে কোৱা মতে পেটৰ ভিতৰত পাথৰ জমা হৈছে। পঞ্চাছ, ষাঠি হেজাৰ টকা নহলে হেনো আৰোগ্য নহয়। মোৰ দৰে দুখীয়া কৃষক এজনে জানো ইমান টকা কেতিয়াবা দেখা পাইছে ! মোৰ সংসাৰখনত এই লৈ ভীষণ অশান্তি। সিদিনা দোভাগ ৰাতি কৰ পৰা যে সেই ল'ৰা এজন আহি মোৰ ঘৰত সোমাল ! ইফালে মোৰ পৰিবাৰে অসহ্য যন্ত্ৰনাত কেকাই আছে। ল'ৰাজনৰ হাতত বন্দুক জাতীয় অস্ত্ৰ এটা। জীৱনত তেনে বস্তু মই কাহানিও দেখি পোৱা নাই। ভয়তে মোৰ তত্ নাই। প্ৰথমে লৰাজনে কঢ়িয়াই অনা বেগটোৰ পৰা এটা ইন্‌জেকচন বাহিৰ কৰি অসহ্য যন্ত্ৰনাত কেকাই থকা মোৰ পৰিবাৰক এটা বেজী দিলে। মানুহজনীৰ যন্ত্ৰনাকাতৰ চিঞৰ লাহে লাহে কমি

আহিল। ল'ৰাজনে আমাক ভয় কৰিবলৈ হাক দিলে আৰু ৰাতিটোৰ বাবে আশ্ৰয় বিচাৰিলে। সেই ৰাতিৰ পৰা আজি দুদিন ধৰি মোৰ ঘৰত। ইতিমধ্যে মোৰ লৰাটোৰ লগত সি বন্ধুত্ব গঢ়ি তুলিছে। মোৰ পৰিবাৰো লৰাজনৰ প্ৰতি কোমল। মইহে ত সহজ ভাবে লব পৰা নাই। দিনৰ ভাগত মোৰ ঘৰৰ মজিয়াত দীঘলকৈ খান্দি লোৱা গাত এটাত শুই থাকে গাতটো ওপৰত তাৰ কথামতে মোৰ পৰিবাৰে এচাৰি ধান মেলি দিয়ে। ৰাতি হলে গাতটোৰ পৰা ওলাই আহে। আজি লৰাজ ওচৰৰ বজাৰ এখনৰ পৰা বাতৰি কাকত এখন আনিব পঠাইছিল। বজাৰৰ মানুহৰ মুখত বাতৰি কাগজৰ লেখাখিনি শুনি পালো ল'ৰা জনক ধৰাৰ বাবদ যিকোনো মানুহক চৰকাৰে হেনো নগদ ধনেৰে পুৰস্কৃত কৰিব।

হঠাৎ মোৰ মনলৈ এটা নতুন ভাব আহিল। পুলিচক ইয়াৰ কথা জনাই দিলেইচোন চৰকাৰে মোক টকা পুৰস্ক দিব। মোৰ পৰিবাৰৰ চিকিৎসাৰ খৰচৰ উপৰিও মোৰ হাতত আৰু বহুত টকা থাকি যাব। অহাকালি ৰাতিপুৱাই বৰপেটা সদৰ থানালৈ যামেই যাম। মই ঠিক কৰিলো।

## সুবিমল হাজৰিকা

অম্লান দত্তৰ সন্ধান পোৱা গৈছে। বেঁকী নৈৰ পাৰৰ এখন সংখ্যালঘূ গাওঁত এঘৰ মানুহৰ ঘৰত সি আশ্ৰয় আছে। সেইঘৰৰ গৃহস্থজনে নিজেই থানাত খবৰ দিব আহিছে। মই থানাৰ অ,চি,ক জনাই দিছো মানুহজনৰ পৰা তাৰ ঘ সঠিক অৱস্থানটো জানিলৈ তাক লকআপত ভৰাই ৰাখিব লাগে আৰু চব্বিছ ঘন্টাৰ ভিতৰত তাৰ বিৰুদ্ধে কেইটাম অভিযোগ জাপি দি অন্ততঃ দহ দিনৰ বাবে তাক জেল হাজোতত চালান দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই ভালদৰে জা যে খবৰ দিয়া মানুহজনক দৃশ্য পটৰ পৰা বাহিৰ নকৰিলে বহু টেকনিকেল অসুবিধা আহি পৰিব পাৰে। গৃহ বিভাগে জান এই সুবিমল হাজৰিকাৰ একক দক্ষতাৰ বলতেই অম্লান দত্তৰ নিচিনা এজন বিপদজনক সন্ত্ৰাসবাদীক কৰায়ত্ত কৰিব প হ'ল। বৰপেটাৰ এচ,পিক এক বিশাল সশস্ত্ৰ বাহিনী সাজু কৰিবলৈ কৈ অম্লান দত্তৰ সন্ধানত সেই ভিতৰুৱা গাওঁখনলৈ যাত্ৰা কৰিলো।

## অম্লান দত্ত

অৱশেষত মই পুলিচৰ হাতত ধৰা পৰি গলো। আঠবছৰীয়া পুতুৱে কৰবাৰ পৰা দৌৰি আহি মোক জনালে সিহঁতৰ গাওঁখন বহু পুলিচে আহি ঘেৰাও কৰি পেলোৱাৰ খবৰ। মই পুতু আৰু পুতুৰ মাকক এই ঘৰটো অতি সোনকালে এৰি যাবলৈ কলো, সিহতে মোক এৰি যাব নোখোজে। বহু বুজাই মেলি দুয়োকে ঘৰৰ পৰা বাহিৰ কৰি দিলো। যাবৰ সময় পুতুৰ মাকৰ হাতত মোৰ হাতত থকা সকলো টকা দি দিলো। পুলিচবোৰ এতিয়াও ঘৰটোৰ ওচৰলৈ আহি পোৱা নাই। অতি ক্ষীপ্ৰতাৰে গোটেই ঘৰটোৰ মজিয়াত কিছুমান বুবিট্ৰেপ পুতি পেলালো আৰু প্ৰতি আক্ৰমণৰ বাবে সাজু হলো। বুজিব পাৰিছো পুতুৰ বাপেকজনেই সদৰ থানাত মোৰ আত্মগোপনৰ খবৰ দিলে। হয়তো মোৰ সন্ধান দিয়াৰ বাবে পু বাপেকে বহু টকা পাব। তাৰে ঘৈণীয়েকৰ চিকিৎসাৰ খৰচ, সিহঁতৰ পৰিয়ালৰ এটি সুখী ভৱিষ্যতৰ বাবেই হয়তো হেলালু নামৰ এই দৰিদ্ৰ মানুহজন প্ৰলোভিত হ'ল। হেলালুদ্দিনক মই কোনো দোষ দিব নোখোজো। কিন্তু দুখ লাগিছে এই ভা যে হেলালুদ্দিনৰ দৰে মানুহবোৰৰ মংগলৰ বাবেইতো মই আৰু মোৰ দৰে বহু যুৱকে আজি নিজৰ ঘৰ, আত্মীয় স্বজন এৰি এই বিপদজনক পথ বাছি লৈছিলো। মোৰ বা আমাৰ সেই সদিচ্ছা খিনিক হেলালুদ্দিনৰ দৰে মানুহবোৰে বুজি নোৱাৰিলে। হয়তো এই মানুহবোৰৰ মনত আনিবোৰেই এখন অদৃশ্য প্ৰাচীৰ থিয় কৰাইছোঁ। আমি তেঁওঁলোকক হয় পতিয়ন নিয়াব পৰা নাই আমাৰ সংকল্প, সদিচ্ছাৰ বিষয়ে। দেশৰ অগণন জনগণক এন্ধাৰত ৰাখি আমি কেইজনমা





অকলে যে একো কৰিব নোৱাৰিম এই মূহুৰ্ত্তত মোৰ উচ্চ নেতৃত্বক এই নিৰ্মম সত্যটো আঙুলিয়াই দিবৰ ইচ্ছা হৈছে। কিন্তু সেই সুযোগ হয়তো আৰু মই কাহানিও নাপাম। পুলিচ বাহিনীয়ে ইতিমধ্যে মই থকা ঘৰটো ঘেৰি ধৰিছে । বাৰে বাৰে মাইকত মোৰ আত্মসমৰ্পন কৰাৰ বাবে ঘোষণা কৰিছে। পুলিচে মোক জীৱিত অৱস্থাত ধৰিব নোৱাৰিব। তাৰ আগতে মই আত্মহত্যা কৰিম। এয়া পুলিচবোৰে মোৰ ঘৰটো লক্ষ্য কৰি গুলিয়াব আৰম্ভ কৰিছে। মইয়ো প্ৰত্যুত্তৰ দি আছো। লাহে লাহে মোৰ গুলি বাৰুদ শেষ হৈ আহিব ধৰিছে। বিপদৰ মাজতো মোৰ অতীতলৈ মনত পৰিছে। আৰু অৱশেষত মই তাহানিৰ দিগন্ত কলিতা নামৰ গাওঁলীয়া লৰাজন যিয়ে আঘোনমহীয়া ধান চপোৱা বতৰত পথাৰৰ নৰাৰ মাজেৰে লেচেৰি বুটলি ফুৰিছিলো, ভাদমহীয়া আকাশত মেঘৰ লুকা ভাকু খেলা দুপৰীয়া বোৰত মাছৰ উজান উঠা গাওঁৰ ওচৰৰ নৈ খনত সমনীয়াৰ লগত মাছ ধৰিব নামিছিলো, ফাগুনমহীয়া গাওঁৰ লোকে লোকাৰণ্য দৌল উৎসৱত ৰাতি আতচবাজিৰ শব্দত ৰোমাঞ্চিত হৈছিলো, সেই দিগন্ত কলিতা ওৰফে অম্লান দত্তই আজি বহু আশা আৰু বহু সপোনক ৰূপায়ন কৰিব নোৱাৰাৰ অপৰিমেয় দুখত আত্মহত্যা কৰিলো।

'নতুন অসম'ৰ খবৰ ঃ - আজি বৰপেটা জিলাৰ বেকী নদীৰ পাৰৰ এখন গাওঁত আত্মগোপন কৰি থকা দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী অম্লান দত্তই পুলিচৰ আবেষ্টনীৰ মাজত এটা জুপুৰী ঘৰত আশ্ৰয় লৈ থকা অৱস্থাত আত্মহত্যা কৰে। পিছত জুপুৰীটোত প্ৰৱেশ কৰিব চেষ্টা কৰোতে অভিযানৰ নেতৃত্ব দিয়া সুদক্ষ পুলিচ অফিচাৰ সুবিমল হাজৰিকা সহ বাৰজন পুলিচৰ মাইন বিস্ফোৰণত মৃত্যু হয়। সুবিমল হাজৰিকাৰ মৃত্যুত পুলিচ বিভাগে এজন দক্ষ পুলিচ বিষয়া হেৰুৱালে।





# আপুনি আমাৰ কলেজলৈ আহিব নেকি ?

ওচৰৰ কোনো বন্ধুৰ কথা কোৱা নাই, বাহুত অহা দুৰৰ বন্ধু এজনৰ কথাকেই কৈছো। আপুনি বাহুত আহিলে কলগাছিয়া বাছ ষ্টেণ্ডত নামি ৰিক্স্যা এখনত উঠি বহি কলেজ বুলি লাহেকৈ কলেই হ'ল। আপুনি এতিয়া কেৱল ৰিক্স্যাত বহি থাকক। পকী ৰাস্তাৰে আধা কিলোমিটাৰ মান লৈ আনি আপোনাক এখন লোহাৰ গেটৰ সন্মূখত নমাই দিব । এতিয়া ৰিক্স্যাৱালাক আপুনি ভাড়া পাঁচ টকামান দি দিওক। এতিয়া আপুনি গেট খনৰ ওপৰলৈ চাব পাৰে- দেখিব নৱজ্যোতি কলেজ, কলগাছিয়া স্থাপিত- ১৯৭১ বুলি লিখা আছে। গেটখনৰ আগত এজোপা গছ আৰু দুখনকৈ ৰেষ্টুৰেণ্ট লগতে গেলামালৰ দোকান আছে আপুনি ইচ্ছা কৰিলে চাহ, শিংৰা, পাণ, বিড়ি, গাখীৰ আদি কিনি খাব পাৰে। গেলামালৰ দোকানত বস্তুৰ দাম অলপ বেছি। এতিয়া আমাৰ কলেজলৈ আহঁক ।

গেটখন পাৰ হৈয়ে দুটা ৰাস্তা পাব তাৰে এটা পকী আৰু এটা কেঁচা। পকী ৰাস্তাৰে পোনে পোনে আমাৰ কলেজ ঘৰৰ গেটখন পাব। আপুনি এতিয়া গেটৰ ভিতৰেদি আগুৱাই যাওক, কলেজ বন্ধ নাথাকিলে ছাত্ৰ সকলক বিভিন্ন শ্ৰেণীৰ ক্লাছ লৈ থকা দেখিব পাৰে, আকৌ এটা ৰুমত ইউনিফৰ্ম পিন্ধা বহুত ছোৱালী আড্ডা মাৰি থকা দেখিব পাৰে অৰ্থ্যাৎ সেই কোঠাটোৱে ছাত্ৰী জিৰণী কোঠা, তাৰ দক্ষিণৰ ৰুমটো হ'ল Teachers Common room তাতে বহু উচ্চ মানৰ গল্প আড্ডা আদি সদায় চলি থাকে। মন মাৰি বহি থকা প্ৰফেছাৰ আমাৰ কলেজত খুব কমেই আছে। ইয়াৰ দক্ষিণৰ পুখুৰীৰ ওপৰত এটা পকী ঘৰ আছে এই ঘৰটো ইংৰাজী, অসমীয়া, এৰাবিক আৰু ইতিহাস বিভাগৰ বাবে সংৰক্ষিত। এই ঘৰৰ ওচৰতে এখন সৰু ছাইনবোৰ্ড আছে তাত লিখা আছে - ডিটাৰজেণ্ট কাৰ্বলিক আদি চাবোনেৰে গাধোৱা নিষেধ অৰ্থ্যাৎ এই পুখুৰীটোত আমাৰ কলেজত বয়েজ হোষ্টেলৰ আবাসী সকলে জধে-মধে গা ধুই থাকে। পুখুৰীটোত মীন পালনও কৰা হয় ঠিকেই কিন্তু লাভ লোকচানৰ খবৰটো কব নোৱাৰি ছাগে।

আপুনি ইচ্ছা কৰিলে এইবাৰ পূৱ ফালৰ Science Stream টো চাব পাৰে দেখিব নানা বিভাগৰ সৰু সৰু ছাইনবোৰ্ডবোৰ ওলমি আছে। এই বিভাগ সমূহৰ লেবৰেটৰি হে বৰেটাৰি সব আছে । আপুনি ইচ্ছা কৰিলে এইবাৰ শতাব্দী ভৱনতো সোমাব পাৰে এই ভৱনটো দুমহলীয়া, তলৰ মহলত Physics Deppt.ৰ সকলো কাৰুকাৰ্য্য চলি থাকে। ওপৰৰ মহলাত মাজে সময়ে অসমীয়া গানৰ Practice আদি হয় । কলগাছিয়াত আৰ, ছি, ছি বিল্ডিং মাত্ৰ কেইটামান থকা বাবে বিল্ডিংৰ ওপৰত উঠাৰ আমাৰ খুব ইচ্ছা গতিকেই তাত উঠি আমাৰ মনটো পাতলালে ভাল লাগে। আপুনিও তাতে উঠিব পাৰিব। উঠি পেলাই ইয়াৰ পৰা নামি আহি ইয়াৰ উত্তৰৰ ঘৰটোত প্ৰৱেশ কৰিব পাৰে, দেখিব তাত বিভিন্ন গেলাৰীত হাজাৰ হাজাৰ বিধৰ কিতাপ এফালে হাউলি আছে। আপুনি যদি তাত থকা কিতাপ পঢ়িবলৈ ইচ্ছা কৰে তেন্তে পঢ়িব নোৱাৰিব কাৰণ আপোনাৰ যে লাইব্ৰেৰী কাৰ্ড নাই। গতিকে এইবাৰ আৰু ইয়াত বেছি দেৰি নকৰাই ভাল। ইচ্ছা কৰিলে তিনিটা খট খটি থকা পথেৰে এটা ঘৰত সোমাব পাৰে, বাৰান্দাত উঠি Students Day Home বুলি লিখি থোৱা দেখিবলৈ পাব। মোৰ কলেজ জীৱনত এতিয়ালৈকে Students Day দিৱস পতা দেখা নাই সেয়ে এই বিষয়ে আপোনাক বেছি নকওঁ । কিন্তু এটা কথা কও যে এই ৰুমটো ছাত্ৰ জিৰণী কোঠা হিচাপে ব্যৱহাৰ হৈ আছে।

এইবাৰ আপুনি ইচ্ছা কৰিলে এই ঘৰৰ পশ্চিমৰ আৰ, ছি, ছি বিল্ডিংটোত সোমাব পাৰে। এই বিল্ডিংটো আমাৰ অধ্যক্ষ মহোদয়ৰ কাৰ্য্যালয়। এই কাৰ্য্যালয়টো সৌ সিদিনা নিৰ্মাণ কৰা হ'ল। ইয়াত সোমায়েই পূৱ ফালে এটা খিড়িকী বিশিষ্ট কোঠা পাব, এই কোঠাটো আমাৰ কলেজৰ Collector জনৰ Office । ইয়াৰ উত্তৰৰ দৰ্জাইদি মুৰটো সোমাইয়ে দেখিব পাৰিব যে চাৰি পাঁচজনমান মানুহ বিভাগীয় কাম কাজ লৈ ব্যস্ত। এই সকল আমাৰ কলেজৰ কেৰাণী মহোদয় ।





এতিয়া আপুনি ইচ্ছা কৰিলে Collector জনৰ পৰাAdmission Form, Prospectus আদি কিনি লব পাৰে। কিবা গুৰুত্বপূৰ্ণ কামত অধ্যক্ষ মহোদয়ৰ ওচৰত যাব লগা হ'লে পশ্চিম ফালে গৈ দৰ্জাৰ ওচৰত থিয় হৈ অধ্যক্ষ ছাৰৰ পৰা অনুমতি লৈ ভিতৰত সোমাব পাৰে দেখিব ছাৰ খুব ব্যস্ত, বিভিন্ন ফাইলবোৰ টেবুলৰ ওপৰত ঠাহ খাই আছে। তথাপিও আপুনি কিবা কোৱাৰ আগতেই "কি লাগে" বুলি ছাৰে লাহেকৈ কৈ পেলাব পাৰে, এইটো ছাৰৰ অভ্যাস । আপোনাৰ কাম হ'লে ছাৰক ধন্যবাদ দিবও পাৰে নিদিবও পাৰে এইলৈ ছাৰে বেজাৰ নাপায়। ছাৰৰ ৰুমত ছোফা চিয়াৰ কেইটামান আছে কিন্তু বৰ্ত্তমান এইবোৰ ভাঙিব ধৰিলেও গোলাপী ৰঙৰ পোন্ধৰটামান প্লাষ্টিকৰ চিয়াৰ সদায় মজুত থাকে। আলমিৰা বিলাকত কি আছে ছাৰৰ বাহিৰে অইন কোনেও কব নোৱাৰে। আপুনি কেতিয়াবা আমাৰ কলেজলৈ এপাক আহিলে হয়তো আৰু কিবা নতুন বস্তু দেখিবলৈ পাব, আপুনি ইয়াত অহালৈ অপেক্ষা কৰি ৰলো................





## ২০০২ ইং বৰ্ষত নৱজ্যোতি মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"ত বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকল হ'লঃ

১/ আলোচনী বিভাগ
(ক) স্ব-ৰচিত কবিতা প্ৰতিযোগিতা
প্ৰথম - দেৱান মোৱাজ্জেম হুছাইন।
দ্বিতীয়- খান মনোৱাৰ হুছাইন।
(খ) অসমীয়া কবিতা আবৃতি প্ৰতিযোগিতা
প্ৰথম- কদম আলী
দ্বিতীয়- শিকদাৰ জাকিৰ হুছাইন
(গ) ইংৰাজী কবিতা আবৃতি প্ৰতিযোগিতা
মাজহাৰুল ইছলাম।
জাহিৰুল ইছলাম।
(ঘ) থলতে লিখা কবিতা প্ৰতিযোগিতা
প্ৰথম- জেহেৰুল হক।
দ্বিতীয়- মীৰ মহিবুৰ ৰহমান।
(ঙ) ৰচনা লিখা প্ৰতিযোগিতা
প্ৰথম- শ্বাহজাহান আলী আহমেদ।
দ্বিতীয়- দোস্তঃ হাফিজুৰ ৰহমান।

২/ লঘু খেল বিভাগ
(ক) বেডমিন্টন(ল'ৰাৰ দ্বৈত শাখাৰ চেম্পিয়ন)
সূৰুজ্জামাল আৰু
খন্দঃ জুলফিক্কাৰ হাচান।
(খ) বেডমিন্টন(ল'ৰাৰ একক শাখা)
চেম্পিয়ন- খন্দঃ জুলফিক্কাৰ হাচান।
(গ) বেডমিন্টন(ছোৱালীৰ দ্বৈত শাখা)
খন্দঃ বিলকিচ আহমেদ আৰু
আলিমা তালুকদাৰ।
(ঘ) বেডমিন্টন(ছোৱালীৰ একক শাখাৰ)
চেম্পিয়ন- ছোলেইমাল আলী আহমেদ।
(ক) কেৰম প্ৰতিযোগিতা(ল'ৰাৰ দ্বৈত শাখাত)
ছফিকুল ইছলাম আৰু
জিয়াউল ইছলাম।
(খ) কেৰম প্ৰতিযোগিতা(ল'ৰাৰ একক)
চেম্পিয়ন-ছোলেইমান আলি আহমেদ।
(গ) কেৰম প্ৰতিযোগিতা(ছোৱালীৰ দ্বৈত শাখা)
ৰেণুইন তালুকদাৰ।
আলিমা তালুকদাৰ।
(ঘ) কেৰম প্ৰতিযোগিতা(ছোৱালীৰ একক শাখা)
চেম্পিয়ন- বিলকিচ আহমেদ।
(ঙ) ছোৱালীৰ মিউজিক চিয়াৰপ্ৰতিযোগিতা
প্ৰথম- ইন্দীৰা খাতুন।
দ্বিতীয়- দুলেনা বেউৰা।
,, - মৰজিনা খাতুন।

৩/ শৰীৰ চৰ্চা বিভাগ
(ক) ভাৰ উত্তোলনত চেম্পিয়ন
হামিদুল ইছলাম (১৯৫ কিলো)।
(খ) দেহশ্ৰী প্ৰতিযোগিতাত চেম্পিয়ন
শ্ৰীমনোজ সাহা।
(গ) কইনা প্ৰতিযোগিতা
প্ৰথম- মিচ্ আলিমা তালুকদাৰ।

৪/ তৰ্ক আৰু সুকুমাৰ ক'লা বিভাগ
(ক) কুইজ প্ৰতিযোগিতা
প্ৰথম- ইমদাদ উল্লাহ খান
ইয়াকুব আলী, ছফিকুল ইছলাম
(খ) তৰ্ক প্ৰতিযোগিতা
প্ৰথম- আব্দুছ ছালাম
(গ) আকস্মিক বক্তৃতা প্ৰতিযোগিতা
প্ৰথম- আব্দুছ ছালাম

৫/ গুৰু খেল বিভাগ
(ক) ফুটবল প্ৰতিযোগিতা
চেম্পিয়ন- স্নাতক দ্বিতীয় বৰ্ষ।
ৰাণাৰ্চ আপ- উঃমাঃ দ্বিতীয় বৰ্ষ।
(খ) ক্ৰিকেট প্ৰতিযোগিতা
চেম্পিয়ন- উঃ মাঃ প্ৰথম বৰ্ষ।
ৰাণাৰ্চ আপ- উঃ মাঃ দ্বিতীয় বৰ্ষ।
(ঘ)৪০০ মিটাৰ দৌৰ
প্ৰথম- মুস্তাফা জামান আনোৱাৰ।
(ঙ) ভলীবল প্ৰতিযোগিতা
চেম্পিয়ন- টি, ডি, ছি প্ৰথম বৰ্ষ।
ৰাণাৰ্চ আপ- টি, ডি, ছি দ্বিতীয় বৰ্ষ।

৬/ সংগীত আৰু সাংস্কৃতিক বিভাগ
(ক) একাংকিকা নাট প্ৰতিযোগিতা
প্ৰথম- নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰী নিবাসৰ নাট্যদল।
দ্বিতীয়- উঃ মাঃ প্ৰথম বৰ্ষ।

৭/ ছোৱালীৰ ৰচি টনা প্ৰতিযোগিতা
প্ৰথম- স্নাতক প্ৰথম বৰ্ষ।
দ্বিতীয়- উঃ মাঃ দ্বিতীয় বৰ্ষ।



## আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক-সম্পাদিকা সকলঃ



বাওঁফালৰ পৰা ক্ৰমেঃ ফাৰুক খান (সাঃ সম্পাদক), আশিফ ইকবাল (সঃ ছাত্ৰ জিৰণী কোঠা), দেৱান আবুৰায়হান (শ্ৰেণী প্ৰতিনিধি), দোস্তঃ হাফিজুৰ ৰহমান (সঃ আলোচনী বিভাগ), ফিৰোজ খান (সঃ সমাজ সেৱা বিভাগ), মহঃ আজাদ হুছাইন (সহঃ সাঃ সম্পাদক), আলী আকবৰ আহমেদ (সঃ শৰীৰ চৰ্চা বিভাগ), মিচ্ ৰাশিদা খাতুন (সম্পাদিকা ছাত্ৰী জিৰণী কোঠা)।

অনুপস্থিতক্ৰমে ঃ সফিউৰ ৰহমান (সঃ তৰ্ক আৰু সুকুমাৰ কলা), জাকাৰীয়া আহমেদ (সঃ লঘু খেল বিভাগ), ছলমান খান (সঃ সংগীত আৰু সাংস্কৃতিক বিভাগ), ছাইফুল ইছলাম (সঃ গুৰু খেল বিভাগ), মফিদুল ইছলাম (উপ-সভাপতি)।

## সম্পাদনা সমিতি ঃ



বাওঁফালৰ পৰা ক্রমে ঃ আব্দুল কুদ্দুছ আহমেদ, মির্জা আব্দুল হামিদ (তত্ত্বাবধায়ক), অধ্যক্ষ, আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি), খন্দঃ আঃ গফুৰ (সদস্য), ছৈয়দ কাইয়ুম কবীৰ (সদস্য), দোক্তঃ হাফিজুৰ ৰহমান (সম্পাদক),

অনুপস্থিত ঃ ফাৰুক খান (সদস্য)।

নৰজ্যোতি মহাবিদ্যালয় আলোচনী

## আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তত্ত্বাবধায়ক / অধ্যাপক-অধ্যাপিকা সকল



বাওঁফালৰ পৰা (বহি) ক্রমে ঃ সুশীল কুমাৰ সৰকাৰ, মিচ্ ৰোশনাৰা আখতাৰ, আব্দুল খালেক, আব্দুল কুদ্দুছ আহমেদ, মতিয়াৰ ৰহমান, শামছুল আলম, এম, নজমুল হক, আবুল কালাম আজাদ, আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি ছাত্ৰ একতা সভা), আবুবক্কাৰ ছিদ্দিক, মির্জা আব্দুল হামিদ, দেৱান আজিজুৰ ৰহমান, দেৱান আবুল কাশেম, মাছুদ হাচান, আশিফুল হক।

থিয় হৈ থকা সকল ঃ ছাত্ৰ একতা সভাৰ সদস্য সকলৰ একাংশ।

## নৱজ্যোতি মহাবিদ্যালয়ত প্ৰৱৰ্ত্তিত N.C.C ৰ সৰ্বপ্ৰথম কেডাৰ সকলৰ লগতে Instructore ক্ৰমে সাহাবুদ্দিন আহমেদ আৰু ওমৰ আলী আহমেদ ঃ






# Education - A Unique Investment.

✍ A. S. Ahmed.
Principal-Nabajoyti College,
Kalgachia.

Until 1968 Education did not have its multi-dimensional purposes and ends. It was then a need-be it general education or technical education. Because 70% of India's populace was illiterate. It was felt a necessity to enhance the rate of literacy in the Country. Within a decade of post indipendence period exposure of contemporary problems arising out of unemployment, ineligibility, centric pedagogy, non-bifurcation of educaton in to needbased factors posed a serious thought and re-thinking for adoption of new policy started. In 1968 came in to being the new education policy. This policy imbued national reconstruction of education system inprovements of its qualities at the stages, greater attention to science and technology, cultivation of moral values and making relationship between education and life.

The implementation of new policy of education of 1968 has brought about a remarkable change and improvement . The whole country has got a uniform pattern of 10+2+3 system. Accordingly a uniform carriculum has been designed. Facilities have been provided for schooling. 90% of people have been enjoying facilities for schooling their children. Financial schemes have been implemented to improve infrastructure. To dispel disparity deviding deliberate attempts of making distinction in caste, creed and sex measures have been undertaken.

New education policy formulated and enunciated in 1986 in accordance with initiatives of Late Rajib Gandhi, the then Prime Minister of India made the policy more extensive with new ideas and formula. The stress given on vocational education, quality education and production based education opened new horizon to challenge the problems of unemployability. It has been creating habits of self reliance and self-employment. The policy has given momentum for research to find out and tackle area of employable oppurtunities supposed to arise out of needs of more than one hundred crores people of India . No area will remain unstudied and unresearched. From the area of human resource to that of ocean and sea, mountains and earth, air and water, inventions and discoveries, life and death, war and peace, transport and communications, science and technology, Medicine and herb,

astrology and astronomy and all that all men and women want to know about.

The new education policy must have created a new generation with quality education. The boys and girls receiving education under new policy must have the ability to explore things for national utility. Thus the boys and girls are the national assets and precious national resorces which need to be properly cherished, nurtured and developed with tenderness and care coupled with dynamism.

The country has been passing through a very critical times. Religious fanatioism has posed a serious threat to erode the fibre of national integration,secularasim, Democracy, Socialism and professional ethics are coming under increasing strain because of increasing zeal for traditionally long accepted so called pseudo religious values. It is for this that moral values have been incorporated with the frame work of new education policy.

Education has not remained as a personal wealth only in the context that school going boys and girls have been regarded as national assets and precious resources.The pattern looks something like socialistic in the sense that the new workers taught and moralised for country's interest will have to primarily work for the country. So, education should have its identity as an investment rather a unique investment for which the country flourishes.





## Ten things to do

The best day is today-- Live it
The best person is you -- belive it.
Life is a journey full of aim--- Exploit it.
Work is the greatest God--- worship it.
Humanity is the best religion ------ practice it.
Hard work is the best habit ---- Make it.
Knowledge brings light to life ----increase it.
Love is the real path to light--- Follow it.
God is always in truth---- Trust it.
